www.newsnextone.com
e সংবাদ
FRIDAY, DECEMBER 20, 2024 ■ শুকুৰবাৰ, ৪ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৪৭ Guwahati, Assam ।। মূল্যঃ এটকা

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## অমিত শ্বাহৰ গণ্ডগোল হৈছেঃ লালু

**নতুন দিল্লী, ১৯ ডিচেম্বৰঃ** আম্বেদকাৰৰ সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বক্তব্যক লৈ দেশৰ ২ পৃষ্ঠাত চাওক

## কৰ্তব্যৰত সাংবাদিকক কন্দুৱা গেছ প্ৰয়োগ কৰা কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ



বিতং বাতৰি ১০ পৃষ্ঠাত চাওক



কেবাশতাধিক লোকৰ উপস্থিতিত কংগ্ৰেছ কৰ্মী মৃদুল ইছলামৰ শেষকৃত্য সম্পন্ন, বৃহস্পতিবাৰে

## শোকাকুল পৰিৱেশত মৃদুলৰ জানাজা

**ছাজ্জাদ কবিৰ, নগৰবেৰা, ১৯ ডিচেম্বৰঃ** স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ, গৌতম আদানিৰ উৎকোঁচ কাণ্ডৰ তদন্ত, এক দেশ এক নিৰ্বাচনৰ তীব্ৰ বিৰোধিতা, মণিপুৰৰ হিংসা ৰোধ কৰি শান্তি বাহাল কৰাৰ দাবীত অসম প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বত কালি ৰাজভৱনলৈ মিছিল লৈ যাত্ৰাৰ সময়ত আৰক্ষীয়ে নিক্ষেপ শেষাংশ ৫ পৃষ্ঠাত

## ৰাজভৱন এলেকাত নিষিদ্ধ হ'ল প্ৰতিবাদ

**ই-সংবাদ, ১৯ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফেচবুকত লিখি দিয়া কথাই এতিয়া শেষাংশ ৫ পৃষ্ঠাত

## কেবিনেটত আকৌ একাধিক সিদ্ধান্ত গ্ৰহণ

**ই-সংবাদ, ১৯ ডিচেম্বৰঃ** ১৮ ডিচেম্বৰত অসম প্ৰদেশ কংগ্ৰেছৰ ৬ পৃষ্ঠাত চাওক

## ৰাহুল গান্ধীৰ বিৰুদ্ধে 'হত্যাৰ প্ৰয়াস চলোৱা'ৰ গোচৰ বিজেপিৰ

# আম্বেদকাৰক লৈ উত্তপ্ত সংসদ

**নতুন দিল্লী, ১৯ ডিচেম্বৰঃ** সংবিধান প্ৰণেতা ডাঃ বি আৰ আম্বেদকাৰক লৈ গৃহমন্ত্ৰী অমিত শ্বাহৰ অৱমাননাই শেহতীয়াকৈ গৰম কৰি ৰাখিছে দেশৰ ৰাজনৈতিক বতাহ। অমিত শ্বাহৰ মন্তব্যক লৈ অব্যাহত থকা বিতৰ্কই বৃহস্পতিবাৰে হেচা-ঠেলাৰ ৰূপ লয় লোকসভাৰ মজিয়াত। এই সময়তে হঠাৎ সদনত বাগৰি শেষাংশ ৩ পৃষ্ঠাত








## ডিৰাকত নিশা ভয়ংকৰ দুৰ্ঘটনাত তিনিজন নিহত

**ই-সংবাদ, ডুমডুমা, ১৯ ডিচেম্বৰঃ** বৰডুমচা আৰক্ষী থানাৰ অন্তৰ্গত অসম-অৰুণাচল সীমান্তৱৰ্তী শেষাংশ ৪ পৃষ্ঠাত

## মৃদুলৰ গৃহত সাংসদ গৌৰৱ গগৈ

**ই-সংবাদ, ১৯ ডিচেম্বৰঃ** আজি সন্ধিয়া লোকসভাৰ উপ-দলপতি গৌৰৱ গগৈয়ে ৬ পৃষ্ঠাত চাওক

## বাংলাদেশৰ পৰা আহিছে জেহাদী, অসম অশান্ত কৰাৰ পৰিকল্পনা, ৮ জন গ্ৰেপ্তাৰ



**ই-সংবাদ, ১৯ ডিচেম্বৰঃ** সীমান্তৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া হোৱা বুলি বিজেপিয়ে কৰি অহা দাবী মিছা প্ৰতিপন্ন হোৱাত অসমলৈ ভয়ংকৰ দিনৰ আগজাননীৰ সংকেট দিছে অসম আৰক্ষীয়ে। বিজেপি চৰকাৰৰ দাবীক শেষাংশ ৪ পৃষ্ঠাত

## এইবাৰ জনতা ভৱন ঘেৰাও কৰাৰ হুংকাৰ কংগ্ৰেছৰ

**ই-সংবাদ, ১৯ ডিচেম্বৰঃ** মৃদুল ইছলামৰ মৃত্যুৰ তদন্ত হ'লে জনতা ভৱনৰ হুংকাৰ দিছে কংগ্ৰেছে। আজি মৃদুল ইছলামৰ শেষাংশ ৩ পৃষ্ঠাত



## কাশ্মীৰত সংঘৰ্যত নিহত ৫ উগ্ৰপন্থী

**শ্ৰীনগৰ, ১৯ ডিচেম্বৰঃ** জম্মু-কাশ্মীৰৰ কুলগাঁৱত ভাৰতীয় সেনা আৰু শেষাংশ ২ পৃষ্ঠাত

## বন্যহস্তীৰ আক্ৰমণত যুৱকৰ মৃত্যুক লৈ উত্তপ্ত নলবাৰী

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৯ ডিচেম্বৰঃ** বন্যহস্তীৰ আক্ৰমণত এজন যুৱকৰ মৃত্যু হোৱাৰ পিচতে নলবাৰীত বিক্ষুব্ধ হৈ পৰিছে অতিষ্ঠ হোৱা ৰাইজ। আজি বিক্ষুব্ধ ৰাইজে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি বন বিভাগ তথা চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদমুখৰ হৈ পৰে। উল্লেখনীয় যে বিগত প্ৰায় দুবছৰ ধৰি নলবাৰীৰ উত্তৰ অঞ্চলৰ



কেইবাখনো গাওঁত বনৰীয়া হাতীৰ জাকে মুক্ত বিচৰণ কৰি উপদ্ৰৱ চলোৱাৰ ফলত ৰাইজৰ মাজত এক হাহাকাৰময় পৰিৱেশৰ শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# কাশ্মীৰত সংঘৰ্ষত নিহত ৫ উগ্ৰপন্থী

সন্ত্ৰাসবাদীৰ সংঘৰ্ষৰ সময়ত নিহত হয় পাঁচজন সন্ত্ৰাসবাদী। বৃহস্পতিবাৰে এই তথ্য সদৰী কৰিছে ভাৰতীয় সেনাই। কুলগাঁও জিলাৰ বেহিবাগ অঞ্চলৰ কাদ্দেৰত নিৰাপত্তাৰক্ষীৰ এক সফল অভিযানৰ সময়ত নিহত হয় সন্ত্ৰাসবাদী কেইজন। ভাৰতীয় সেনাৰ চিনাৰ কৰ্পছে এক্স যোগে সদৰী কৰা মতে, সন্ত্ৰাসবাদীৰ উপস্থিতিৰ বিষয়ে গোপন সূত্ৰৰ পৰা তথ্য লাভ কৰাৰ পিছতে বুধবাৰে নিশা ভাৰতীয় সেনা আৰু কুলগাঁও আৰক্ষীয়ে অঞ্চলটোত যৌথ অভিযান আৰম্ভ কৰে। গোটেই নিশাটো অঞ্চলটোত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে তালাচী চোৰাৰ পিছত পুৰাৰ ভাগত নিৰাপত্তাৰক্ষীলৈ লক্ষ্য কৰি গুলীবৰ্ষণ কৰে সন্ত্ৰাসবাদীয়ে। ইয়াৰ পিছতে নিৰাপত্তা বাহিনীয়েও উচিত প্ৰত্যুত্তৰ দিয়াত নিহয় হয় পাঁচজন সন্ত্ৰাসবাদী। ইফালে এই সংঘৰ্ষকালত দুজন নিৰাপত্তাৰক্ষীও আহত হয়। উল্লেখ্য যে, শেহতীয়াকৈ পুনৰ সন্ত্ৰাসবাদীয়ে গা কৰি উঠিছে জম্মু-কাশ্মীৰত। যোৱা অক্টোবৰ মাহত লস্কৰ-ই-তৈবাই মধ্য কাশ্মীৰৰ গংগানীত এটা সুৰংগ নিৰ্মাণ স্থানত আক্ৰমণ চলাই ৭ জন নিৰস্ত্ৰ শ্ৰমিকক হত্যা কৰিছিল। কিন্তু এই মাহত ভাৰতীয় সেনাই শ্ৰীনগৰৰ জংঘলত সেই আক্ৰমণৰ লগত জড়িত এজন সন্ত্ৰাসবাদীক নিৰ্মূল কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও ২৩ নৱেম্বৰত বাৰামুল্লা জিলাৰ কুঞ্জ অঞ্চলত আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ যৌথ অভিযানত সন্ত্ৰাসবাদীৰ আত্মগোপন স্থান উন্মোচন কৰা হয়। যোৱা ৯ জুনত ৰায়ছিত সন্ত্ৰাসবাদীয়ে এখন তীৰ্থযাত্ৰীৰ বাছলৈ লক্ষ্য কৰি গুলীচালনা কৰাত নিয়ন্ত্ৰণ হেৰুৱাই বাছখন খাৰৈত বাগৰি পৰিছিল। এই ঘটনাত নিহত হৈছিল ৯ গৰাকী তীৰ্থযাত্ৰী। প্ৰদেশখনত সন্ত্ৰাসবাদীৰ কাৰ্য্যকলাপ বৃদ্ধিৰ সমান্তৰালভাৱে নিৰাপত্তা বাহিনীয়েও কেইবাটাও সন্ত্ৰাসবাদ বিৰোধী সফল অভিযান চলাবলৈ সক্ষম হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অমিত শ্বাহৰ চিন্তাৰ গণ্ডগোল হৈছেঃ লালু

ৰাজনীতিত নতুন বিতৰ্কৰ সৃষ্টি হৈছে। যোৱা মঙলবাৰে ৰাজ্যসভাত বাবাছাহেব ড০ বি আৰ আম্বেদকাৰৰ বিষয়ে তেওঁৰ মন্তব্যই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। অমিত শ্বাহে কয় যে আজিকালি আম্বেদকাৰৰ নাম লোৱাটো কংগ্ৰেছৰ বাবে ফেশ্বন হৈ পৰিছে। এই মন্তব্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে লালু প্ৰসাদ যাদৱে। তেওঁ কয়, "অমিত শ্বাহ পাগল হৈ গৈছে। বাবাছাহেব আম্বেদকাৰৰ বিষয়ে তেওঁৰ বেয়া ধাৰণা আছে। তেওঁৰ উন্মাদনা গ্ৰহণযোগ্য নহয়। বাবাছাহেব আম্বেদকাৰ এজন মহান ব্যক্তি। অমিত শ্বাহে ৰাজনীতিৰ পৰা অৱসৰ ল'ব লাগে।" তদুপৰি লালু প্ৰসাদ যাদৱৰ পুত্ৰ তেজস্বী যাদৱেও অমিত শ্বাহৰ মন্তব্যক অসাংবিধানিক বুলি অভিহিত কৰে। তেওঁ কয়, "বাবাছাহেব আম্বেদকাৰ আমাৰ ফেশ্বন আৰু পেচন। তেওঁ আমাৰ মটিভেশ্যন আৰু ইন্সপিৰেশ্যন। আমি কাকো বাবাছাহেবক অসন্মান কৰিবলৈ নিদিওঁ। সংবিধানৰ বিৰুদ্ধে বিজেপিয়ে হিংসাত্মক ৰাজনীতি কৰি আছে। সংসদত এনে ভাষাৰ ব্যৱহাৰক মই তীব্ৰ গৰিহণা দিছো।" তেজস্বীয়ে লগতে কয় যে অমিত শ্বাহৰ এই মন্তব্য দেশ আৰু সংবিধানৰ অপমান। ইফালে কংগ্ৰেছৰ সাংসদ মণিকম ঠাকুৰে লোকসভাত অমিত শ্বাহৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ জাননী দাখিল কৰি সংসদত আম্বেদকাৰক অসন্মান কৰাৰ বাবে ক্ষমা খুজিবলৈ অনুৰোধ জনায়। উল্লেখ্য যে, সংবিধানৰ প্ৰণেতা আম্বেদকাৰক লৈ অমিত শ্বাহৰ এই বক্তব্যৰ পিছতে কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছে তীব্ৰ প্ৰতিক্ৰিয়াৰ ব্যক্ত কৰে। তৃণমূল কংগ্ৰেছে শ্বাহৰ পদত্যাগৰ দাবীত বিশেষাধিকাৰ ভংগৰ জাননী দাখিল কৰিছে। শ্বাহৰ বিৰুদ্ধে জাননী জাৰি কৰাৰ পদক্ষেপক আদৰণি জনাই আম্বেদকাৰৰ নাতি তথা প্ৰাক্তন সাংসদ প্ৰকাশ আম্বেদকাৰে তৃণমূলৰ স্থিতিত সহযোগ কৰিছে। প্ৰণিধানযোগ্য যে, সংসদত সংবিধান গৃহীত হোৱাৰ ৭৫ বৰ্ষপূতি উদযাপনৰ সময়ত বিৰোধীক আক্ৰমণ কৰিবলৈ গৈ অমিত শ্বাহে কৈছিল, "আজিকালি যেন ফেশ্বন হৈ পৰিছে। সকলো সময়তে কেৱল আম্বেদকাৰ, আম্বেদকাৰ, আম্বেদকাৰ, আম্বেদকাৰ। আপুনি ইমানবাৰ ঈশ্বৰৰ নাম লোৱা হ'লে হয়তো স্বৰ্গ লাভ কৰিলেহেঁতেন।" কেন্দ্ৰীয় গৃহমন্ত্ৰীজনৰ এই মন্তব্যই ৰাজ্যসভাত ব্যাপক চৰ্চা আৰু বিৰোধিতাৰ সূচনা কৰে।

# দিছপুৰ থানাত গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে এজাহাৰ

**ই-সংবাদ, ১৯ ডিচেম্বৰঃ** আজি অনুসুচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ কেন্দ্ৰীয় সভাপতি সঞ্জীৱ দাসে মহানগৰীৰ দিছপুৰ আৰক্ষী থানাত কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। সংবিধান প্ৰণেতা বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰক সদনৰ ভিতৰত অপমান কৰাৰ অভিযোগ উত্থাপন কৰি দিছপুৰ আৰক্ষী থানাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে অনুসূচিত জাতিৰ সংগঠনটোৱে। সংগঠনটোৱে অমিত শ্বাহে সদনত বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰক লৈ দিয়া মন্তব্যক অতি নিন্দনীয় বুলি কয়। এজাহাৰত অনুসুচিত জাতি সংগ্ৰামী যুৱ পৰিষদে কয় যে ভাৰত চৰকাৰৰ গৃহমন্ত্ৰী পদত কাৰ্যনিৰ্বাহ কৰি থকা অমিত শ্বাহে আমাৰ পূজনীয় ড০ ভীমৰাও আম্বেদকাৰক ঘোৰ অপমান কৰিছে। শ্বাহে সদনত এনেদৰে কৈছিল 'এতিয়া এক 'ফেশ্বন' হৈ পৰিছে। আম্বেদকাৰ, আম্বেদকাৰ, আম্বেদকাৰ, আম্বেদকাৰ, আম্বেদকাৰ...। ইমানবাৰ ভগৱানৰ নাম ল'লে সাত জনমলৈ স্বৰ্গ লাভ কৰিলেহেঁতেন।' সংসদত শ্বাহে এনেদৰে এবাৰ নহয় কেইবাবাৰ দোহাৰিছে। সদনত গৃহমন্ত্ৰী অমিত শ্বাহে বিৰোধী দলক সমালোচনা কৰিবলৈ গৈ কৈছে যে ড০ ভীমৰাও আম্বেদকাৰৰ নাম লোৱাটো এটা 'ফেশ্বন' হৈ পৰিছে। এনেদৰে কৈ সদনৰ ভিতৰৰ পৰা ড০ ভীমৰাও আম্বেদকাৰক দুৰ্ঘোৰ অপমান কৰা হৈছে। ড০ ভীমৰাও আম্বেদকাৰ ভাৰতৰ দলিত, আদিবাসী, অনুসূচিত জাতি-জনজাতিৰ মানুহখিনিৰ বাবে পূজনীয়, ভগৱান। দলিত, আদিবাসী, অনুসূচিত জাতি-জনজাতিৰ মানুহে ভগৱান গণ্য কৰি বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰৰ ফটো ঘৰত ওলোমাই ৰাখি পূজা কৰো। এইখিনি মানুহৰ বাবে জীয়াই থকাৰ শেষ আশা-ভৰষা বাবাচাহেব। দলিত, আদিবাসী, অনুসূচিত জাতি-জনজাতিৰ মানুহক বৈষম্য-ঘৃণা কৰাৰ পৰম্পৰা আজিও চলি থকাৰ সময়ত বাবাচাহেবে এইখিনি লোকক স-সন্মানেৰে জীয়াই থকাৰ আৰু জীয়াই থাকিবলৈ যুঁজাৰ সাহস দিয়ে। ড০ ভীমৰাও আম্বেদকাৰে সংবিধানৰ দ্বাৰা জীয়াই থকাৰ অধিকাৰ দিছে। সংগঠনটোৱে আৰু কয় যে মহান মনীষীজনক আমি পূজা কৰি হাজাৰবাৰ নাম ল'বই লাগিব। সদনৰ মজিয়াত সংবিধান প্ৰণেতা আম্বেদকাৰদেৰক অপমান কৰা মানেই দেশৰ দলিত, আদিবাসী, অনুসূচিত জাতি-জনজাতিৰ মানুহক অপমান কৰাটোকে বুজাইছে। ভাৰতৰ দৰে দেশৰ সংবিধান নিৰ্মাণ কৰি দলিতক অধিকাৰ দি যোৱা মহান আত্মাক অপমান কৰা শ্বাহৰ বিৰুদ্ধে সোনকালে এক গোচৰ ৰুজু কৰা হওক। গোচৰ ৰুজু কৰি বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰক কৰা অপমানৰ ফলস্বৰূপে অমিত শ্বাহক আইনী গণ্ডিৰ ভিতৰত শাস্তি দিয়াৰ ব্যৱস্থা কৰা হওক বুলি এজাহাৰত দাবী কৰিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ নেতৃবৃন্দই।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আম্বেদকাৰক লৈ উত্তপ্ত সংসদ

পৰি আঘাতপ্ৰাপ্ত হয় ওড়িশাৰ বালাচৌৰৰ বিজেপি সাংসদ প্ৰতাপ চন্দ্ৰ সাৰংগী। ইয়াৰ পিছতে তেওঁক হাস্পতালত ভৰ্তি কৰোৱা হয়। ইফালে বিজেপি সাংসদগৰাকীয়ে ৰাহুল গান্ধীয়ে তেওঁক ঠেলা মাৰি দিয়াৰ বাবেই আঘাতপ্ৰাপ্ত হোৱা বুলি অভিযোগ তোলাৰ পিছতে পুনৰ বৃদ্ধি পায় ৰাজনৈতিক উত্তেজনা। এই ঘটনাৰ পিছতে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে ৰাহুল গান্ধীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰো ইংগিত প্ৰদান কৰিছে। ইফালে সমগ্ৰ ঘটনা সন্দৰ্ভত আজি এক সংবাদমেল সম্বোধন কৰে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে আৰু সাংসদ ৰাহুল গান্ধীয়ে। এই সংবাদমেলত বিজেপিৰ বিৰুদ্ধে কেইবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰে কংগ্ৰেছ নেতাদুগৰাকীয়ে। একে সময়তে সংসদৰ ভিতৰত বিৰোধী দলক শাৰীৰিকভাৱে আক্ৰমণ কৰি বিজেপিয়ে ঘটনা সন্দৰ্ভত মিছা অভিযোগ উত্থাপন কৰা বুলিও দাবী কৰে মল্লিকাৰ্জুন খাৰ্গেয়ে। তেওঁ অভিযোগ কৰে যে যেতিয়া কংগ্ৰেছৰ সাংসদসকলে শান্তিপূৰ্ণভাৱে আম্বেদকাৰৰ প্ৰতিমূৰ্তি চাবলৈ গৈছিল তেতিয়া বিজেপিৰ সাংসদে তেওঁলোকক বাধা প্ৰদান কৰে। খাৰ্গেয়ে কয়, "আমি শাৰী পাতি গৈ আছিলো, কিন্তু মকৰ দ্বাৰ পাওঁতে বিজেপিৰ সাংসদে আমাৰ বাট বন্ধ কৰি দিলে। আমাৰ মহিলাসকলকো যাবলৈ দিয়া নহ'ল। মই কাকো ঠেলিবলৈ চেষ্টা কৰা নাছিলো, কিন্তু বিপৰীতে বিজেপিৰ সাংসদসকলে মোক ঠেলি দিছিল। যাৰ বাবে ভাৰসাম্য হেৰুৱাই পৰি গৈছিলোঁ। কিন্তু এতিয়া বিজেপিয়ে আমাৰ বিৰুদ্ধেহে অভিযোগ উত্থাপন কৰিছে।" এই অভিযোগৰ পিছতে খাৰ্গেয়ে আৰু কয় যে বিজেপিৰ সাংসদসকলে পৰিস্থিতি আৰু বেয়া হ'বলৈ উচটনি দিছে আৰু তেওঁলোকৰ উদ্দেশ্য সংসদত অস্থিৰতা সৃষ্টি কৰা। ইফালে সংবাদ মেলত বিজেপিৰ বিৰুদ্ধে পুনৰবাৰ সোচ্চাৰ হৈ পৰে ৰাহুল গান্ধী। আদানিৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয় যে আমেৰিকাত আদানি গ্ৰুপৰ বিৰুদ্ধে গোচৰ চলি আছে, কিন্তু বিজেপিয়ে ইয়াৰ ওপৰত আলোচনাৰ সুযোগ সৃষ্টি কৰিব নিবিচাৰে। তেওঁলোকে এই পুছবেক ইছ্যুটো সৃষ্টি কৰিছে যাতে জনসমৰ্থন আদানি গোচৰৰ ফালে স্থানান্তৰিত নহয়। বিজেপি আৰু আৰএছএছৰ চিন্তাধাৰা আম্বেদকাৰৰ আদৰ্শৰ বিৰুদ্ধে। ৰাহুলে কয়, "এই ঘটনা তেওঁলোকৰ সাংবিধানিক মানসিকতাৰ প্ৰকাশ, যিটো দেশৰ গণতন্ত্ৰৰ বিৰোধী।" লগতে তেওঁ দাবী কৰে যে বিজেপি চৰকাৰে আম্বেদকাৰৰ আদৰ্শক অসন্মান কৰি নিজৰ স্বাৰ্থৰ বাবে আদানি গ্ৰুপৰ পক্ষ লৈছে। ইফালে কংগ্ৰেছ নেতাসকলে স্পষ্ট কৰি দিয়ে যে সংসদত কোনো ধৰণৰ কাজিয়া হোৱা নাছিল, বৰঞ্চ বিজেপিয়ে সৃষ্টি কৰা এয়া এক মিথ্যা ইছ্যুহে। কংগ্ৰেছে দাবী কৰে যে মূল বিষয়ৰ পৰা মানুহৰ দৃষ্টি আঁতৰাবলৈ বিজেপিয়ে এই কৌশল অৱলম্বন কৰিছে। তেওঁলোকে কয় যে বিজেপিয়ে জনসাধাৰণৰ প্ৰকৃত সমস্যাৰ পৰা মনযোগ আঁতৰাবলৈ চেষ্টা কৰিছে আৰু তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰিছে। ইফালে ৰাহুল গান্ধীৰ ঠেলাত বিজেপি সাংসদ প্ৰতাপ চন্দ্ৰ সাৰংগী আহত হোৱাৰ অভিযোগ সন্দৰ্ভত পাৰ্লিয়ামেণ্ট ষ্ট্ৰীট থানাত এজাহাৰ দাখিল কৰিছে বিজেপিয়ে। বিজেপিয়ে ৰাহুল গান্ধীৰ বিৰুদ্ধে হত্যাৰ প্ৰয়াস চলোৱা বুলি দাবী কৰি গোচৰ ৰুজু কৰিছে। বিজেপিৰ নেতাসকলে কয় যে ঘটনাটোত প্ৰতাপ চন্দ্ৰ সাৰংগীৰ বাহিৰেও বিজেপিৰ আন এজন সাংসদ মুকেশ ৰাজপুতো আহত হৈছে। কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলৰ সদস্যসকলে এনে আচৰণ কৰিব পাৰে বুলিও তেওঁ কয়। আনহাতে, সংসদত সংঘটিত শাৰীৰিক বিবাদ সন্দৰ্ভত কংগ্ৰেছৰ সাংসদসকলে সংসদৰ অধ্যক্ষলৈ পত্ৰ প্ৰেৰণ কৰি ঘটনাৰ সম্পূৰ্ণ তদন্তৰ দাবী জনাইছে। কংগ্ৰেছৰ মতে, বিজেপিয়ে সংসদৰ শান্তিপূৰ্ণ পৰিৱেশ বিঘ্নিত কৰিবলৈ চেষ্টা চলাইছে, যিটো দেশৰ গণতন্ত্ৰৰ বাবে ক্ষতিকাৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জনতা ভৱন ঘেৰাও কৰাৰ হুংকাৰ

ইছলামৰ জানাজা সম্পন্ন হোৱাৰ পিছতে ভূপেন বৰাই এখন সংবাদমেল সম্বোধন কৰি কংগ্ৰেছ নেতা মৃদুল ইছলামক ন্যায় প্ৰদানৰ দাবী জনাই অন্যথা জনতা ভৱন ঘেৰাও কৰাৰ হুংকাৰ প্ৰদান কৰিছে। ভূপেন বৰাই কয় যে মই মৃদুল ইছলামৰ ঘৰত উপস্থিত আছো। হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে পুলিচ লগাই দি কালি কন্দুৱা গেছ ব্যৱহাৰ কৰি যিমান মানুহক কন্দুৱাইছে আজি মৃদুল ইছলামৰ ঘৰখন থকা ঠাইত হাজাৰ হাজাৰ মানুহে চকুপানী টুকিছে। অসমৰ মানুহৰ এই চকুপানীয়ে হিমন্ত বিশ্ব শৰ্মাৰ অহংকাৰ এদিন শেষ কৰিব। এই চুকপানীয়ে বিজেপিক দিছপুৰৰ পৰা উটুৱাই নিব। ভূপেন বৰাই আৱেগিক হৈ প্ৰশ্ন কৰি কয় যে মৃদুল ইছলামৰ অপৰাধ কি আছিল? মৃদুল ইছলামৰ অপৰাধ সেয়াই নেকি যে গোটেই ভাৰতত বিজেপি চৰকাৰ লগোৱা ৭২ লাখ স্মাৰ্ট মিটাৰ, তাৰে ৩২ শতাংশ অসমত ব্যৱহাৰ কৰা হৈছে। ২৩ লাখ ৩২ হাজাৰ লোকৰ ঘৰত জোৰ-জবৰদস্তি প্ৰিপেইড স্মাৰ্ট মিটাৰ লগাই সাধাৰণ দুখীয়া নিছলা মানুহখিনিক যিদৰে শোষণ কৰা হৈছে। তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰাটোৱে মৃদুল ইছলামৰ অপৰাধ নেকি বুলি প্ৰশ্ন কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে কয় যে চৰকাৰৰ নিৰ্দেশ আছে, গ্ৰাম্য অঞ্চলত স্মাৰ্ট মিটাৰ ব্যৱহাৰ কৰিব নালাগে। হিমন্ত বিশ্ব শৰ্মাই কাৰোৱে কথা নুশুনে। ডাবল ইঞ্জিনৰ চৰকাৰ চলাব নোৱাৰি ধাৰ লৈ চৰকাৰ চলাইছে। গাঁৱৰ মানুহক শোষণ কৰিবলৈ স্মাৰ্ট মিটাৰক হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰাৰ যি ষড়যন্ত্ৰ তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ যাওতে একে জাগাতে তিনিটা কন্দুৱা গেছ দিওতে মৃদুল ইছলাম নিহত হয়। কেইবাজনো সংবাদিক আহত হৈছে। মই নিজেও আহত হৈছো। চৰকাৰে মিছা মাতিবলৈ আৰম্ভ কৰাৰ অভিযোগ উত্থাপন কৰি ভূপেন বৰাই কয় যে প্ৰতিবাদৰ বাবে অনুমতি লোৱা নাছিল বুলি কৈছে। মৃদুল ইছলাম অসুস্থ আছিল বুলি কৈছে। গুৱাহাটী আৰক্ষী আয়ুক্তই মৃদুল ইছলাম অসুস্থ বুলি কোৱাত দিগন্ত বৰাক ওভতি ধৰি বৰাই কয় যে তেওঁ ডাক্তৰ নেকি? আৰক্ষী আয়ুক্তজন আইপিএছহে, এমবিবিএছ নহয় বুলি কটাক্ষ কৰে। কংগ্ৰেছে কৰা গণতান্ত্ৰিক আন্দোলন মচিমূৰ কৰিব খোজা বুলি অভিযোগ আনি আনি ভূপেন বৰাই স্পষ্টকৈ কয় যে হিমন্ত বিশ্ব শৰ্মাক মৃদুল ইছলামৰ ঘৰৰ পৰা সকীয়াই দি কৈছো যে আমাক ভয় খুৱাবলৈ খুজি লাভ নাই। আপোনালোকৰ গতিৰোধ যিমানে হ'ব সিমানে আমাৰ গতি দুৰ্বাৰ হ'ব। যদি চৰকাৰে মৃদুল ইছলামৰ মৃত্যুৰ ন্যায়িক তদন্ত নিদিয়ে তেতিয়াই কালিলৈ জনতা ভৱন ঘেৰাও কৰা হ'ব। গুৱাহাটীত পাঁচজনতকৈ বেছি মানুহ গোট খাব নোৱাৰিব বুলি কোৱা হৈছে। আমি কৈছো পুলিচৰ যিমান লাঠি আছে, গুলী আছে গোটাই লওক। বৰাই চৰকাৰক শেষ সকীয়নি দি কয় যে হয় ইছলামৰ মৃত্যুৰ ন্যায়িক তদন্ত ঘোষণা কৰক, অন্যথা জনতা ভৱন ঘেৰাও কৰা হ'ব।

# তামুলপুৰত 'সুশাসন সপ্তাহ, ২০২৪'-ৰ বিভিন্ন কাৰ্যসূচী

**ই-সংবাদ, তামুলপুৰ, ১৯ ডিচেম্বৰঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমগ্ৰ দেশে ১৯-২৪ ডিচেম্বৰৰ ভিতৰত 'সুশাসন সপ্তাহ, ২০২৪' পালন কৰিবলৈ লৈছে। দেশৰ ৭০০তকৈ অধিক জিলা এই কাৰ্যসূচীৰ বাবে সাজু হৈছে। তাৰ লগত সংগতি ৰাখি তামুলপুৰ জিলা প্ৰশাসনেও কিছু কাৰ্যসূচী হাতত লৈছে। এইক্ষেত্ৰত জিলা প্ৰশাসনৰ উপৰি পঞ্চায়ত আৰু গ্ৰাম উন্নয়ন, স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, মহিলা আৰু শিশু কল্যাণ, শিক্ষা, দক্ষতা বিকাশ, সমাজকল্যাণ আদি বিভাগে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ লৈছে। তদুপলক্ষে ২৩ ডিচেম্বৰত সুশাসন সম্পৰ্কীয় কৰ্মশালা, ১৯-২৪ ডিচেম্বৰত ছ'চিয়েল অ'ডিট উইক, সুস্বাস্থ্য সপ্তাহ, প্ৰজেক্ট বিকল্প, এ আৰ টি পি এছ এম্পাৱাৰিং উইক আৰু ২২ ডিচেম্বৰত শিশু গাঁওসভা অনুষ্ঠিত হ'ব। উক্ত সময়ছোৱাত সুশাসনৰ সৈতে জীৱনৰ মান সম্পৰ্কীয় আলোচনা, প্ৰতিটো ভিচিডিচিত চৰকাৰী কামকাজৰ পৰ্যালোচনা, স্বাস্থ্য সজাগতা শিবিৰ, নাগ্ৰীজুলি চাহ বাগানত স্বাস্থ্যৱান শিশুৰ প্ৰতিযোগিতা, দক্ষতা বিকাশৰ প্ৰতিযোগিতা, জিলাখনৰ তিনিওটা উন্নয়ন খণ্ডত সপ্তমৰ পৰা দশমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সভা আদি অনুষ্ঠিত হ'ব। এইবাৰৰ থীম, 'প্ৰশাসন গাঁও কী ওৰ'।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশৰ পৰা আহিছে জেহাদী, অসম

নস্যাৎ কৰি অসম আৰক্ষীয়ে আজি স্পষ্ট কৰিছে যে সীমান্তৰে এতিয়াও অসমত অবাধে প্ৰৱেশ কৰিব পাৰে সন্ত্ৰাসবাদীয়ে। বিজেপি দলৰ নেতাই দাবী কৰি অহাৰ দৰেই অসম-বাংলাদেশ সীমান্তৰে বিদেশী সোমাই আহিব নোৱাৰি বুলি কৰি অহা দাবীক মিছা প্ৰতিপন্ন কৰিলে অসম আৰক্ষীয়ে। কিয়নো সীমান্তৰে আজিও সন্ত্ৰাসবাদী সোমাই আহিব পৰাকৈ মুক্ত। অসম আৰক্ষীয়ে আজি এক সংবাদমেল যোগে দাবী কৰিছে যে সীমান্তৰে অসমলৈ সোমৈই অহা বাংলাদেশৰ সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰা হৈছে। সীমান্তৰে অসম প্ৰৱেশ কৰি অসমত বাহৰ পাতি থকা সন্ত্ৰাসবাদীক চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে অসম আৰক্ষীয়ে। ইতিমধ্যে কোকৰাঝাৰ আৰু ধুবুৰী জিলাত অভিযান চলাই চাৰি সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ হৈছে। আজি অসম আৰক্ষীৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধানে হৰমীত সিঙে সংবাদমেল সম্বোধন কৰি কয় যে 'অপাৰেচন প্ৰঘাত'ৰ অধীনত ৮ জেহাদীক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰে চাৰিজন অসমত ধৰা পৰিছে। হৰমীত সিঙে কয় যে অসমৰ এছটিএফে অসম, কেৰালা, পশ্চিমবংগত চলাইছিল অভিযান। অভিযানকালত ৮ জেহাদীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ইয়াৰে চাৰি জেহাদী কোকৰাঝাৰ আৰু ধুবুৰীৰ পৰা গ্ৰেপ্তাৰ হৈছে। আৰক্ষীয়ে দাবী কৰা মতে, গ্ৰেপ্তাৰ কৰা জেহাদীৰ পৰা বাংলাদেশৰ পৰিচয় পত্ৰ উদ্ধাৰ হৈছে। নৱেম্বৰ আৰু ডিচেম্বৰত ভাৰতত প্ৰৱেশ কৰি জেহাদীৰ শ্লীপাৰ চেল গঠনৰ প্ৰয়াস কৰিছিল। বাংলাদেশৰ ফাৰাহ ইচাক নামৰ দুৰ্ধৰ্ষ জেহাদীজনে কাম-কাজ চলাই গৈছিল। এবিটিৰ মুৰব্বীৰ ঘনিষ্ঠ ফাৰাহ ইচাক নৱেম্বৰতে ভাৰতলৈ আহিছিল। ফাৰাহ ইচাকৰ সৈতে পশ্চিমবংগৰ মুৰ্ছিদাবাদৰ মিনাৰুল শ্বেখক, আব্বাছ আলী, কোকৰাঝাৰৰ নুৰ ইছলাম মণ্ডল, আব্দুল কৰিম মণ্ডল, মজিবৰ ৰহমান, হামিদুল ইছলাম, ধুবুৰীৰ ইনামুল শ্বেখক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। এটা দল গঠন কৰি শ্লিপাৰ চেল গঠনৰ হকে দলটোৱে কাম কৰিছিল। এতিয়া সকীয়া এপত সদস্যসকলে সংযোগ হৈ বাৰ্তালাপ কৰিছিল। অসম আৰক্ষীয়ে দাবী কৰা মতে, জেহাদী কেইজনৰ পৰা পেনড্ৰাইভ-হাৰ্ডডিস্কসহ বহু আপত্তিজনক নথি উদ্ধাৰ হৈছে। অস্ত্ৰ-শস্ত্ৰ সৰবৰাহৰ আলোচনা কৰা হৈছিল। পাকিস্তানৰ সৈতেও যোগাযোগ কৰাৰ সন্দেহ কৰা হৈছে। আৰএছএছ নেতাক হত্যা কৰাৰ পৰিকল্পনা কৰিছিল বুলিও দাবী কৰিছে অসম আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বন্যহস্তীৰ আক্ৰমণত যুৱকৰ মৃত্যুক লৈ

সৃষ্টি হোৱাৰ উপৰিও প্ৰাণৰ শংকাত জীৱন-যাপন কৰিবলগীয়া হৈছে। আজি নলবাৰীৰ উত্তৰ অঞ্চলৰ ৰাইজে একত্ৰিতভাৱে ওলাই আহি মৃত যুৱকজনৰ ফটো সন্মুখত লৈ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। ঘাইপথ অৱৰোধ কাৰ্যসূচীত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমেদ, সাধাৰণ সম্পাদক সমৰজ্যোতি মহন্ত, উপদেষ্টা গুণজ্যোতি পাঠক, অক্ষয় ডেকা, উৎপল কলিতাৰ নেতৃত্বত জিলা ছাত্ৰ সন্থাৰ এক সজাঁতী দলে অংশগ্ৰহণ কৰে আৰু জিলা আয়ুক্তৰ জৰিয়তে অসমৰ বনমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰি চৰকাৰ, জিলা প্ৰশাসন তথা বন বিভাগক সমালোচনাৰে থকা সৰকা কৰে। নলবাৰীৰ উত্তৰ অঞ্চলৰ কটৰা, চেংনৈ ,বৰঘোপা, কেহেৰুৱা, ক্ষুদ্ৰবিষ্টুপুৰ, বিষ্টুপুৰ, সাহানবিষ্টুপুৰ, গোবিন্দপুৰ, জামতোলা, সাগৰকুছি, খাতিকুছি, ভদ্ৰবংগাল, মাজুশিৰাল, পাইকাৰকুছি, কেন্দুকুছি, আল্লিয়া, খাট কটৰা, দেহাৰকটৰা, খানাজান, সন্ধা, কটৰা, ধনতোলা, বালিতাৰা, বৰখানাজান, নানকাৰভয়ৰা, সাহপুৰ, পিপলিয়া, কটাহকুছি, মৈৰাদঙা, ক্ষুদ্ৰ কটৰা আদি ভিন্ন গাঁৱত বন্যহস্তীৰ বৃহৎ জাকটোৱে কৃষকসকলৰ বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে মানুহৰ ঘৰ-দুৱাৰ ভাগি লণ্ড-ভণ্ড কৰি আহিছে। ইতিমধ্যে হাতীৰ জাকটোৰ আক্ৰমণত স্কুলীয়া ছাত্ৰৰ লগতে কেইবাগৰাকীও ব্যক্তি আহত হৈ চিকিৎসাধীন হৈ থাকিবলগীয়া হৈছে। যোৱা নিশা গোবিন্দপুৰৰ কেইবাটাও পৰিয়ালৰ ঘৰ-বাৰী ভাগি তছনছ কৰাৰ লগতে মিন্টু বৰ্মন নামৰ এজন যুৱকক হাতীৰ জাকটোৱে আক্ৰমণ কৰাৰ ফলত মৃত্যুমুখত পৰে। উল্লেখ্য যে, নলবাৰী জিলা প্ৰশাসনৰ লগতে জিলা বন বিভাগে আজিকোপতি বন্যহস্তীৰ জাকটো খেদি পঠিয়াবলৈ সক্ষম হোৱা নাই। বিগত দুটা বছৰে জিলাখনৰ উত্তৰ পাৰৰ কেইবাখনো গাঁৱৰ মানুহে বন্যহস্তীৰ সন্ত্ৰাসত দিন কটাবলগীয়া হৈছে। ইতিমধ্যে ছাত্ৰ সন্থাই কেবাবাৰো এই সন্দৰ্ভত প্ৰশাসন আৰু বন বিভাগক দাবী জনাই আহিছে যদিও আজিলৈকে উপযুক্ত পদক্ষেপ গ্ৰহণ নকৰাত এগৰাকী যুৱকে প্ৰাণ হেৰুৱালে বুলি এতিয়া সৰ্বত্ৰে অভিযোগ উত্থাপিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিৰাকত নিশা ভয়ংকৰ দুৰ্ঘটনাত

কাকপথাৰৰ নিলগৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডিৰাক নৱজ্যোতিত যোৱা নিশা প্ৰায় ১০ মান বজাত সংঘটিত এক শোকাৱহ দুৰ্ঘটনাত একেটা পৰিয়ালৰ তিনিজন সদস্য নিহত হয়। নিহত তিনিজনৰ ভিতৰত আছে অৰুণাচল আৰক্ষীৰ এগৰাকী নৱনিযুক্ত আৰক্ষী কনিষ্টবল। ঘটনাৰ বিৱৰণী অনুসৰি, পথৰ দাঁতিত ৰখাই থোৱা এ আৰ-১৭ ৫৩১৯ নম্বৰৰ ডাম্পাৰত তিনিচুকীয়াৰ পৰা অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ তেজু অভিমুখে গৈ থকা এ এছ-০৪ এইচ-০৮১১ নম্বৰৰ আই টেন গাড়ীয়ে খুন্দা মৰাৰ ফলত উক্ত শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাৰ ফলত চালকৰ আসনত থকা অৰুণাচল আৰক্ষীৰ নৱনিযুক্ত আৰক্ষী কনিষ্টবল নাৰায়ণ ডুবে (২৪) ৰ লগতে পিতৃ তথা তেজু বাসিন্দা তথা তেজু টাউনস্থিত হনুমান মন্দিৰৰ পূজাৰী শ্যাম কুমাৰ ডুবে (৬০) আৰু মাতৃ মঞ্জু দেৱী (৫০) য়ে অকাল মৃত্যুক আঁকোৱালি লবলগীয়া হয়। ইয়াৰে আৰক্ষী কনিষ্টবল নাৰায়ণ ডুবেক সংকটজনক অৱস্থাত চিকিৎসালয়লৈ নিয়াৰ পথতে মৃত্যু হয়। স্থানীয় ৰাইজে ঘন কুঁৱলীয়েই ঘটনাৰ মূল কাৰণ বুলি মন্তব্য কৰাৰ সমান্তৰালকৈ ঘটনাৰ আন দুটা কাৰকৰ কথাও এইক্ষেত্ৰত চৰ্চিত হৈছে। সেয়া হৈছে- ডাম্পাৰ দৃশ্যমান নোহোৱা আৰু ভুল পাৰ্কিং। অভিযোগ অনুসৰি, ডাম্পাৰখন এনেদৰে ৰখাই থোৱা হৈছিল, য'ত আই টেন গাড়ীখনে সংঘৰ্ষৰ পূৰ্বে ডাম্পাৰৰ উপস্থিতি লক্ষ্য কৰাটো সম্ভৱপৰ নাছিল। আনকি ডাম্পাৰখনে জ্বলোৱা নাছিল পাৰ্কিং লাইটোও। মুঠৰ ওপৰত বিভাগীয় তদন্তৰ পিছতহে দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ স্পষ্ট হ'ব যদিও উক্ত মৰ্মান্তিক দুৰ্ঘটনাই সীমান্তৱৰ্তী ডিৰাকৰ লগতে তেজুতো গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে, নাৰায়ণ ডুবেয়ে অৰুণাচলৰ আৰক্ষী বিভাগত কনিষ্টবল হিচাপে চাকৰি লাভ কৰাৰ পিছত বান্দৰদেৱাত ১০ মহীয়া প্ৰশিক্ষণ সামৰি বান্দৰদেৱাৰ পৰা পিতৃ-মাতৃসহ তেজুৰ ঘৰলৈ আহি থকা অৱস্থাত এইদৰে কৰুণ মৃত্যুক সাবটিব লগীয়াত পৰে।

# সৰবৰহী ব্যক্তি তিলক দত্তৰ মৃত্যুত কাকপথাৰত শোকৰ ছাঁ

**ই-সংবাদ, ডুমডুমা, ১৯ ডিচেম্বৰঃ** এসময়ৰ কাকপথাৰ অঞ্চলৰ ব্যৱসায়-বাণিজ্যৰ মূল গুৰি ধৰোঁতা তথা কাকপথাৰ চহৰ নিবাসী তিলক দত্ত (৯২) ৰ আজি দিনৰ প্ৰায় ১১:০০ মান বজাত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। কাকপথাৰত 'ৰাধাকৃষ্ণ একাডেমী' নামেৰে পোন প্ৰথমবাৰৰ বাবে ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপনৰ জৰিয়তে শিক্ষাৰ নতুন জোৱাৰ সৃষ্টি কৰা তিলক দত্তই মৃত্যুৰ সময়ত পত্নীসহ চাৰি পুত্ৰ-বোৱাৰী, দুগৰাকী কন্যা আৰু নাতি-নাতিনীক এৰি থৈ গৈছে। তেওঁৰ মৃত্যুত কাকপথাৰ প্ৰেছ ক্লাব, 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতি, কাকপথাৰ শাখা সাহিত্য সভা, কাকপথাৰ ৰাজহুৱা শ্মশান সমিতিৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে। সৰবৰহী ব্যক্তি তিলক দত্তৰ বিয়োগত কাকপথাৰত গভীৰ শোকৰ ছাঁ পৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শোকাকুল পৰিৱেশত মৃদুলৰ জানাজা

কৰা কন্দুৱা গেছৰ শ্বেল লাগি নিহত হোৱা কংগ্ৰেছ নেতা মৃদুল ইছলামৰ আজি জানাজা সম্পন্ন কৰা হয়। বকো সমষ্টিৰ কিচমত কাঠমী গাঁৱৰ খেতিপথাৰত কেইবাহাজাৰ লোকৰ উপস্থিতিত জানাজাৰ নামাজ সম্পন্ন কৰি স্থনীয় ৰাজহুৱা কবৰস্থানত মৃদুল ইছলামক কবৰ দিয়া হয়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক মনোজ চৌহান, প্ৰদেশ কংগ্ৰেছৰ সম্পাদিকা ৰজলীনা তিৰ্কী, ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, বকোৰ বিধায়িকা নন্দিতা দাস, বিধায়ক জাকিৰ হুছেইন সিকদাৰ, বিধায়ক এ কে ৰশ্বিদ আলম, ৰূপহীৰ বিধায়ক নুৰুল হুদা, বিধায়ক আফতাব উদ্দিন মোল্লা আদিৰ উপস্থিতিত জানাজা সম্পন্ন কৰা হয়। কালি সন্ধিয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ অন্তত মৃদুল ইছলামৰ মৃতদেহ পৰিয়াল আৰু কংগ্ৰেছ নেতৃত্বক চমজাই দিছিল গুৱাহাটী আৰক্ষীয়ে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা মৃদুল ইছলামৰ মৃতদেহ পোনে পোনে ৰাজীৱ ভৱনলৈ নিয়ে। ৰাজীৱ ভৱনত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়াসহ আটাইবোৰ নেতা আৰু কৰ্মী-সমৰ্থকে মৃদুল ইছলামক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ভূপেন বৰাই কংগ্ৰেছৰ পতাকাৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মৃদুল ইছলামৰ ত্যাগ অথলৈ যাবলৈ নিদিয়াৰ সংকল্প লয়। ৰাজীৱ ভৱনৰ পৰা মৃদুল ইছলামক অশ্ৰুসিক্ত নয়নেৰে শেষ বিদায় জনায়। বিজেপি বিৰোধী যুঁজ তীব্ৰতৰ হোৱাৰ লগতে বিজেপিক শাসনৰ পৰা উফৰাই নেপেলোৱা পৰ্যন্ত কংগ্ৰেছ ক্ষান্ত নহয় বুলি কয়। নিশাই মৃদুল ইছলামৰ মৃতদেহ বকো সমষ্টিৰ কিচমতকাঠমী গাঁৱৰ ঘৰলৈ নিয়া হয়। ইছলামৰ শৰীৰ ঘৰ পোৱাৰ পিছতে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। অঞ্চলটোৰ বিভিন্ন সমস্যা তথা ৰাজহুৱা কাম-কাজত আগৰণুৱা ইছলামৰ শেষবাৰৰ বাবে প্ৰত্যক্ষ কৰিবলৈ নিশাৰে পৰা বহু লোক সমৱেত হয়। পত্নী, দুই সন্তানে হিয়া ঢাকুৰি কন্দা-কটা কৰাত শোক বিহ্বল পৰিৱেশৰ সূচনা হয়। নিশা নিজ ঘৰতে মৃতদেহ ৰাখি পুৱাই ইছলামধৰ্মৰ নিয়ম মতে, গা-ধুৱাই ঘৰৰ ওচৰৰ মুকলি খেতি পথাৰত জানাজা সম্পন্ন কৰাৰ পিছতে কবৰস্ত কৰা ইছলামৰ শৰীৰ। জানাজাত প্ৰায় ৫ হাজাৰতকৈ অধিক লোক সমৱেত হয়। জানাজাৰ পিছতে মৃদুল ইছলামৰ হকে স্থানীয় মৌলবীয়ে কৰা দোৱা চামিল হয় ভূপেন বৰাৰ লগতে ৰাজ্যিক কংগ্ৰেছৰ শীৰ্ষ নেতাসকল। বিজেপিৰ দুৰ্নীতি বিৰোধী আন্দোলনৰ প্ৰথম শ্বহীদ ঘোষণা কৰা মৃদুল ইছলামৰ জানাজা ইছলামধৰ্মৰ ৰীতি-নীতি মতে সম্পন্ন কৰাৰ পিছতে ৰাইজ ৰাজ্য চৰকাৰৰ বিৰুদ্ধে উত্তেজিত হৈ চৰকাৰ বিৰোধী শ্ল'গান দিয়া পৰিলক্ষিত হয়। কামৰূপ জিলাৰ বকো সমষ্টিৰ সোণতলীৰ কিচমতকাঠমী গাঁৱৰ বাসিন্দা, প্ৰদেশ কংগ্ৰেছৰ প্ৰসাশনিক সাধাৰণ সম্পাদক তথা অধিবক্তা মৃদুল ইছলামে মৃত্যুত গৰৈমাৰীত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে, কংগ্ৰেছ দলে বুধবাৰে বিজেপি চৰকাৰে স্মাৰ্ট মিটাৰ লগাই ৰাইজক কৰা লুণ্ঠন, আদানীৰ উৎকোচ কাণ্ডৰ তদন্ত, এক দেশ এক নিৰ্বাচনৰ বিৰোধিতা, মণিপুৰৰ হিংসা ৰোধ কৰি শান্তি বাহাল কৰাৰ দাবীত 'ৰাজভৱন চলো' প্ৰতিবাদী মিছিল উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰিছিল। সেই প্ৰতিবাদৰ সময়তে আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ শ্বেল গাত লাগি নিহত হয় মৃদুল ইছলাম। আজি শ্বহীদ মৃদুল ইছলামৰ জানাজাত অংশগ্ৰহণ কৰি সভাপতি ভূপেন বৰাই কয় যে স্মাৰ্ট মিটাৰ উফৰাম নহয়, বিজেপি চৰকাৰ উফৰাম। মৃদুল ইছলামৰ কণ কণ দুই কন্যা সন্তানৰ পঢ়া-শুনাৰ দায়িত্ব কংগ্ৰেছ দলে গ্ৰহণ কৰাৰ উপৰিও নিৰাপত্তাৰ দায়িত্ব গ্ৰহণ কৰাৰ ঘোষণা কৰিছে। ইফালে, বিজেপিৰ দুৰ্নীতি বিৰোধী আন্দোলনৰ প্ৰথম শ্বহীদ ঘোষণা কৰা মৃদুল ইছলামৰ জানাজা ইছলাম ধৰ্মৰ ৰীতি-নীতি মতে সম্পন্ন কৰাৰ পিছতে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে উত্তেজিত হৈ চৰকাৰ বিৰোধী শ্ল'গান দিয়া পৰিলক্ষিত হয়। জানাজাৰ পিছতে গৰৈমাৰী ৰাজীৱ ভৱনত সমৱেত হয় কেইবা শতাধিক লোক। গৃহমন্ত্ৰী অমিত শ্বাহে বাবাচাহাব ড০ আম্বেদকাৰক কৰা অপমান কৰাৰ অভিযোগ উত্থাপন কৰি শ্ল'গান দিবলৈ আৰম্ভ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু কেবাগৰাকী বিধায়কৰ উপস্থিতিত গৃহমন্ত্ৰী অমিত শ্বাহে বাবাচাহাব ড০ আম্বেদকাৰক কৰা অপমানৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। বাবাচাহাব ড০ আম্বেদকাৰক অপমান সহ্য নকৰে হিন্দুস্থানে শ্ল'গান দি গৃহমন্ত্ৰী অমিত শ্বাহৰ পুত্তলিকা দাহ কৰে কংগ্ৰেছৰ নেতা-কৰ্মীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজভৱন এলেকাত নিষিদ্ধ হ'ল প্ৰতিবাদ

আইনত পৰিণত হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফেচবুকত পোষ্ট দি সিদ্ধান্ত লৈ আহিছে। এইবাৰো পুনৰ একেই কামকে কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। কালি উজান বজাৰত ৰাজভৱন অভিমুখে কংগ্ৰেছৰ নেতৃত্বত উলিওৱা মিছিলৰ সময়ত আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ শ্বেল গাত লাগি মৃদুল ইছলাম নামৰ কংগ্ৰেছ নেতাজনৰ মৃত্যুৰ পিছতে ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত মুখ্যমন্ত্ৰীয়ে ফেচবুকত এক সিদ্ধান্ত লোৱাৰ কথা ঘোষণা কৰিছে। কংগ্ৰেছৰ প্ৰতিবাদৰ সময়ত বৰ্বৰ কাণ্ড সংঘটিত হোৱাত বিৰোধী দলক দমন কৰাৰ অভিযোগ উত্থাপন হৈ অহাৰ সময়তে ৰাজভৱনৰ সমীপত কোনো ধৰণৰ বিক্ষোভ কাৰ্যসূচীৰ অনুমতি দিয়া নহ'ব বুলি ঘোষণা কৰিছে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীৰ এই ঘোষণাই এটা কথা প্ৰমাণ কৰিছে যে মুখ্যমন্ত্ৰীৰ ইচ্ছা মতেহে এতিয়া বিৰোধী দলে প্ৰতিবাদ সাব্যস্ত কৰিব পাৰিব। কোনো ক'ত, কেনেকৈ প্ৰতিবাদ কৰিব সেয়া মুখ্যমন্ত্ৰীয়ে নিৰ্ধাৰণ কৰি দিয়া দেখা গৈছে। ভূটান ভ্ৰমণ সামৰি ভাৰতত উপস্থিত হৈয়ে আজি চৰকাৰ তথা প্ৰশাসন উদ্যোগত বৈঠক পাতি বিচাৰ-বিবেচনা কৰাৰ পৰিৱৰ্তে নিজেই ফেচবুকত পোষ্ট দি সিদ্ধান্ত লৈ ৰাজভৱন এলেকাত প্ৰতিবাদ কৰিব নিদিয়াৰ সিদ্ধান্ত লয়। অঘোষিত জৰুৰীকালীন অৱস্থাৰ দৰেই মুখ্যমন্ত্ৰীয়ে এতিয়া কোনে ক'ত কেতিয়া প্ৰতিবাদ কৰিব পাৰিব সেয়া মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত লৈ গণতান্ত্ৰিক ব্যৱস্থাক কুঠাৰাঘাট কৰাৰ অভিযোগ উত্থাপন হৈছে। মুখ্যমন্ত্ৰীয়ে ফেচবুক পোষ্টত কয় যে ৰাজ্যপালৰ সাংবিধানিক পদমৰ্যাদা সদায়েই দলীয় ৰাজনীতিৰ উৰ্দ্ধত। কালি কংগ্ৰেছ দলৰ নেতাসকলে আৰক্ষীৰ বেৰিকেড ভংগ কৰি অসমৰ ৰাজভৱনত বলপূৰ্বকভাৱে প্ৰৱেশ কৰাৰ চেষ্টা চলাইছিল আৰু সন্মুখভাগত বিশৃংখলতাৰ সৃষ্টি কৰিছিল। আৰক্ষীয়ে এফ আই আৰ পঞ্জীয়ন কৰি ভিডিঅ' ৰেকৰ্ডিঙৰ পৰ্যালোচনাকে ধৰি ঘটনাৰ পুংখানুপুংখ তদন্ত আৰম্ভ কৰিব। এতিয়াৰ পৰা ৰাজভৱনৰ সমীপত কোনো ধৰণৰ বিক্ষোভ কাৰ্যসূচীৰ অনুমতি দিয়া নহ'ব। ইতিমধ্যে প্ৰতিবাদ আৰু বিক্ষোভৰ বাবে নিৰ্দিষ্ট এলেকা নিৰ্ধাৰণ কৰি দিয়া হৈছে।

# নাদুৱাৰ ৰাজপথত শোভাযাত্ৰাৰে সমাজলৈ ছাত্ৰ-ছাত্ৰীৰ বিশেষ বাৰ্তা

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৯ ডিচেম্বৰঃ** ডিব্ৰুগড় জিলাৰ নাদুৱাত ছাত্ৰ সমাজে উলিওৱা এক সাংস্কৃতিক শোভাযাত্ৰাই মানুহক আকৰ্ষিত কৰিবলৈ সক্ষম হয়। উচ্চ মাধ্যমিকত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে উলিওৱা শোভাযাত্ৰাত সমাজখনক বিশেষ বাৰ্তা দিয়া পৰিলক্ষিত হয়। সমাজসংস্কাৰ, নিচাযুক্ত দ্ৰব্য ব্যৱহাৰে মানুহক তিলতিলকৈ মৃত্যুৰ দুৱাৰদলিলৈ টানি নিয়াৰ বাৰ্তা উপস্থাপন কৰে। ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন অংগী-ভংগীৰে সমাজক সুন্দৰ কৰি ৰাখিবলৈ ভাল মানুহ হোৱাৰ বাৰ্তা দিয়ে। ছাত্ৰ-ছাত্ৰীসকলে অংগী-ভংগীৰে দি যোৱা বাৰ্তাক বাটৰীয়াই ৰ' লাগি চাই ৰয়। নাদুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উলিয়াইছিল এই শোভাযাত্ৰা। ১৬ ডিচেম্বৰ পৰা ১৯ ডিচেম্বৰলৈকে অনুষ্ঠিত হৈ থকা বাৰ্ষিক ক্ৰীড়া-সাংস্কৃতিক প্ৰতিযোগিতাৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত শ্ৰীশ্ৰী মায়ামৰা গড়পৰা হাতীগাধৈ সত্ৰৰ সত্ৰাধিকাৰ চিদানন্দ গোস্বামী, সমাজসেৱক প্ৰণৱ গগৈ, নিৰুদ গোহাঁই, বিৰাজ গোহাঁই, দিপু শইকীয়া, বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজয় চেতিয়াই অংশ লয়। ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকাৰ অংশগ্ৰহণ কৰা শোভাযাত্ৰাই নাদুৱাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অন্তিম দিনা বঁটা বিতৰণী অনুষ্ঠানত বিভিন্ন প্ৰতিযোগিতাত বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কৃত কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কেবিনেটত আকৌ একাধিক সিদ্ধান্ত

‘ৰাজভৱন চলো’ কাৰ্যসূচীত অংশ লোৱাৰ সময়তে আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ শ্বেল গাত লাগি নিহত মৃদুল ইছলাম নিহত হোৱাৰ ঘটনাৰ তদন্ত ঘোষণা কৰাৰ পৰিৱৰ্তে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলক কেবাটাও প্ৰশ্ন কৰিছে? মুখ্যমন্ত্ৰীয়ে ৰাজ্যপাল নথকাৰ সময়তে ৰাজভৱনলৈ কিয় গৈছিল বুলি কংগ্ৰেছক প্ৰশ্ন কৰে। কংগ্ৰেছক উদ্দেশ্যে মুখ্যমন্ত্ৰীয়ে কয় যে তাত প্ৰতিবাদ নকৰা লোকে যে আছিল সেয়া চাব লাগিছিল কংগ্ৰেছে। পৰিৱেশ উত্তেজিত কৰি গুলীচালনা কৰাটো বিচাৰিছিল কংগ্ৰেছে। যদি আৰক্ষীয়ে গুলীচালনা কৰিলেহেঁতেন তেন্তে কি পৰিস্থিতিৰ সৃষ্টি হ’লেহেঁতেন বুলি প্ৰশ্ন কৰে। এইবাৰে নহয় কংগ্ৰেছে বাৰে বাৰে এনে কৰাৰ অভিযোগ আনি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাহুল গান্ধী অহাৰ সময়তো কংগ্ৰেছে এনে কৰিছিল। সাংবাদিসকলক কংগ্ৰেছৰ প্ৰতিবাদ কৰাৰ সময়তে সাৱধানে থাকিবলৈ আহ্বান জনাইছে। কংগ্ৰেছে সাংবাদিকৰ জীৱন বিপদাপন্ন কৰিব বিচাৰে। কংগ্ৰেছৰ প্ৰতিবাদলৈ যোৱাৰ সময়ত কংগ্ৰেছৰ মতি-গতি চাই ল’ব লাগে বুলি সাংবাদিকক পৰামৰ্শ দিয়ে। হিমন্ত বিশ্ব শৰ্মাই প্ৰতিবাদৰ প্ৰসংগ উল্লেখ কৰি কংগ্ৰেছৰ দুগৰাকী নেতাৰ অঘোষিত প্ৰতিযোগিতা চলা বুলি অভিযোগ উত্থাপন কৰিছে। সাধাৰণ মানুহৰ ক্ষতি কৰি হ’লেও ৰাহুল গান্ধীৰ ওচৰত কোন ডাঙৰ নেতা হ’ব পাৰে তাৰ প্ৰতিযোগিতা কৰা বুলি কৈ ভূপেন বৰা আৰু গৌৰৱ গগৈক টাৰ্গেট কৰি লয় হিমন্ত বিশ্ব শৰ্মাই। আজি হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেট বৈঠক অনুষ্ঠিত হয়। কেবিনেটৰ অন্তত কেবিনেটত লোৱা সিদ্ধান্তসমূহ ৰাজহুৱা কৰিবলৈ খোদ সাংবাদমেল সম্বোধন কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল উল্লেক কৰা মতে, মিছন বসুন্ধৰা ৩.০ ৰ সন্দৰ্ভত কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰি কয় যে শৈক্ষিক, ধৰ্মীয়, সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ দ্বাৰা পঞ্জীয়নৰ প্ৰমাণপত্ৰ, চুক্তিপত্ৰ আদিৰ দৰে বাধ্যতামূলকভাৱ জমা নকৰাকৈ বসুন্ধৰা ৩.০ৰ অধীনত ভূমি আৱণ্টন বা নিষ্পত্তিৰ আবেদন দাখিল কৰিব পাৰিব। লগতে ৰাজহুৱা শক্তি কোম্পানীৰ বিৰ্ধিত অংশীদাৰিত্বৰ সিদ্ধান্ত লৈ এপিডিচিএল, এইজিচিএল আৰু এপিজিচিএললৈ অসম চৰকাৰৰ ঋণ আৰু অনুদান ইকুইটীলৈ ৰূপান্তৰ কৰিবলৈ সিদ্ধান্ত লয়। এপিডিচিএললৈ ৩৯৭.৩৯ কোটি, এইজিচিএললৈ ১৯.৮৯ কোটি, এপিজিচিএললৈ ৫২০.৩৮ কোটি টকা ইকুইটী ৰূপান্তৰ কৰিবলৈ সিদ্ধান্ত লয়। ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডক পুনৰজ্জীৱিত কৰাৰ লগতে ডিব্ৰুগড়ৰ নামৰূপস্থিত সাৰ নিগমক প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ উৎপাদন বৃদ্ধিৰ বাবে ২১,২৭২ কোটি মূল্যৰ ৪০ শতাংশ ইকুইটি বিনিয়োগত অনুমোদন জনায়। নামৰূপ-৪ গোট নিৰ্মাণৰ বাবে বিনিয়োগত অনুমোদন জনাইছে। সোণোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ অধীনৰ গাঁওসমূহৰ অধিসূচিত তালিকাত থকা গাঁৰত সোণোৱাল অধ্যুষিত অংশ অন্তৰ্ভুক্ত কৰিবলৈ সংশোধনৰ অনুমোদন। উত্তৰ গুৱাহাটী ৰংমহলত ন্যায়িক টাউনশ্বিপ নিৰ্মাণৰ বাবে কেবিনেট পট্টা ভূমি অধিগ্ৰহণৰ বাবে অনা-প্ৰশাসনিক অনুমোদনৰ বিত্তীয় অনুমোদন জনায়। ৬খন জিলাৰ বাবে নাবাৰ্ডৰ আৰআইডিএফ- এক্সএক্সএক্সৰ অধীনত ১৪টা গ্ৰাম্য পথ প্ৰকল্প নিৰ্মাণৰ বাবে ৮১ কোটি টকা ব্যয়ৰ সিদ্ধান্ত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মৃদুলৰ গৃহত সাংসদ গৌৰৱ গগৈ

দিল্লীৰ পৰা গুৱাহাটীত উপস্থিত হৈ পোনে পোনে শ্বহীদ মৃদুল ইছলামৰ ঘৰত উপস্থিত হৈ পৰিয়ালটোৰ শোকৰ সমভাগী হয়। বকো সমষ্টিৰ কিচমত কাঠমী গাঁৱৰ মৃদুল ইছলামৰ ঘৰত উপস্থিত হৈ ইছলামৰ পত্নী, দুই সন্তানৰ সৈতে বাৰ্তালাপ কৰে গগৈয়ে। গগৈৰ সৈতে দিল্লীৰ পৰা পৰিয়ালটোৰ খবৰ ল’বলৈ আহিছে নিখিল ভাৰত যুৱ কংগ্ৰেছৰ সভাপতি উদয় ভানু শিব। উদয় ভানি শিব আৰু গৌৰৱ গগৈয়ে পৰিয়ালটোৰ সৈতে দীৰ্ঘ সময় অতিবাহিত কৰে। পৰিয়ালৰ সদস্যসকলৰ সৈতে বাৰ্তালাপ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গক সম্বেদনা জ্ঞাপন কৰাৰ লগতে সকলো প্ৰকাৰৰ সহায়-সহযোগ কৰাৰ আশ্বাস প্ৰদান কৰিছে দুয়োগৰাকী নেতাই। সমস্ত ঘটনাৰ সৈতে ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধী অৱগত কৰোৱা হ’ব বুলিও কয় গৌৰৱ গগৈয়ে। ১৮ ডিচেম্বৰত অসম প্ৰদেশ কংগ্ৰেছৰ ‘ৰাজভৱন চলো’ কাৰ্যসূচীত অংশ লোৱাৰ সময়তে আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ শ্বেল গাত লাগি নিহত মৃদুল ইছলামৰ প্ৰাৰ্থীৰ শৰীৰটোক আজি জানাজা নামাজৰ অন্তত কবৰ দিয়া হয়। কেইবাহাজাৰ লোকৰ উপস্থিতিত জানাজাৰ নামাজ সম্পন্ন কৰাৰ পিছতে গৌৰৱ গগৈয়ে দিল্লীৰ পৰা আহি কিচমত কাঠমী গাঁৱত উপস্থিত হৈ পৰিয়ালটোৰ খবৰ লয়। গৌৰৱ গগৈৰ সৈতে আছিল ধুবুৰীৰ সাংসদ ৰকিবুলে।

# গুৱাহাটীৰ সাংবাদিক নিগ্ৰহৰ ঘটনাক নিন্দা
# অল ইণ্ডিয়া জাৰ্নেলিষ্ট ইউনিয়নৰ ডিব্ৰুগড় জিলা সমিতিৰ

**ই-সংবাদ, ১৯ ডিচেম্বৰঃ** অল ইণ্ডিয়া জাৰ্নেলিষ্ট ইউনিয়নৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি দিবাকৰ দত্ত আৰু মুখ্য সম্পাদক তপন কুমাৰ শইকীয়াই আজি এক বিবৃতি যোগে গুৱাহাটীত আৰক্ষীৰ দ্বাৰা সাংবাদিকৰ নিগ্ৰহৰ ঘটনাক তীব্ৰ নিন্দা কৰিছে। গুৱাহাটীত বিৰোধী দল এটাৰ প্ৰতিবাদৰ সময়ত নেতাৰ ভাষ্য সংগ্ৰহ কৰি থকা অৱস্থাতে আৰক্ষীয়ে বৰ্বৰভাৱে সাংবাদিকক লক্ষ্য কৰি শক্তিশালী কন্দুৱা গেছৰ শ্বেল নিক্ষেপ কৰাত গুৱাহাটীৰ কেইবাটাও সংবাদ প্ৰতিষ্ঠানত কৰ্তব্যৰত সাংবাদিক আহত হোৱাৰ বিষয়টো প্ৰত্যক্ষ কৰা বুলি কৈ আৰক্ষীৰ এনে নিন্দনীয় কাৰ্যক গৰিহণা দিয়ে অল ইণ্ডিয়া জাৰ্নেলিষ্ট ইউনিয়নৰ ডিব্ৰুগড় জিলা সমিতিয়ে। সমিতিৰ সভাপতি দিবাকৰ দত্ত আৰু মুখ্য সম্পাদক তপন কুমাৰ শইকীয়াই বিবৃতি যোগে কয় যে এনে ঘটনাৰ উচিত তদন্তৰ ব্যৱস্থা কৰক। আহত সাংবাদিক কেইজনক চিকিৎসাৰ ব্যৱস্থা কৰক আৰু আৰক্ষীয়ে ক্ষমা খোজক। সাংবাদিক আৰু কেমেৰা পাৰ্চনে বিৰোধী দলৰ নেতাৰ ভাষ্য সংগ্ৰহ কৰি থকাৰ সময়ত প্ৰায় চাৰি মিটাৰ নিলগৰ পৰা সাংবাদিক আৰু নেতাক লক্ষ্য কৰি কন্দুৱা গেছৰ শ্বেল নিক্ষেপ কৰা হৈছিল। কৰ্তব্যৰত সাংবাদিকৰ প্ৰতি কন্দুৱা গেছৰ শ্বেল নিক্ষেপ কৰাৰ ফলত কেইবাগৰাকী সাংবাদিকে শ্বাস-প্ৰশ্বাস ল’ব নোৱাৰি পথৰ দাঁতি বহি পৰিবলগীয়া হৈছিল। প্ৰকৃততে এয়া গুৱাহাটী আৰক্ষীৰ বৰ্বৰতা। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভক দমন কৰিব খোজাৰ কুচকাৱাজ। আৰক্ষীয়ে আৰক্ষীৰ কাম কৰক। সাংবাদিকক সাংবাদিকৰ কাম কৰিব দিব লাগিছিল। কিন্তু তেনে নকৰি সাংবাদিকক লক্ষ্য কৰি লোৱা হ’ল যাতে বিৰোধী দলৰ নেতাৰ ভাষ্য সংগ্ৰহ কৰিব নোৱাৰে। সাংবাদিকসকলে নিৰপেক্ষভাৱে কাম কৰি যাবলৈ বদ্ধপৰিকৰ। সাংবাদিকে হাজাৰ বাধা নেওচি হেলাৰঙে কাম কৰে। ৰ’দ-বতাহ, বৰষুণ নেওচি কাম কৰে। পদে পদে জীৱন সংকটত পৰে। কিন্তু নিজৰ দায়িত্ব সততাৰে পালন কৰিবলে গৈ যদি আৰক্ষীৰ দ্বাৰাই নিগ্ৰহৰ সন্মুখীন হ’বলগীয়া হয় তেন্তে সাংবাদিকৰ সুৰক্ষা নিশ্চিত কৰাৰ দাবীয়েই অমূলক হৈ পৰিব। ৰাজ্যৰ সকলো সাংবাদিক সংগঠনক গুৱাহাটী আৰক্ষীৰ এনে বৰ্বৰতাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ আহ্বান জনাইছে৷ অল ইণ্ডিয়া জাৰ্নেলিষ্ট ইউনিয়নৰ ডিব্ৰুগড় জিলা সমিতিয়ে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# কোকৰাঝাৰত অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত বিধানসভাৰ সঁজাতি দল

**ই-সংবাদ, কোকৰাঝাৰ, ১৯ ডিচেম্বৰঃ** অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত ১১ গৰাকী বিধায়ক সহিতে অসম বিধানসভাৰ এটি সঁজাতি দলে আজি কোকৰাঝাৰ পৰিভ্ৰমণ কৰে। সৰ্বমুঠ ২৫ জনীয়া বিধানসভাৰ সঁজাতি দলটোৱে আজি পুৱা প্ৰায় ৯:৩০ মান বজাত বিটিচি সচিবালয়ত উপস্থিত হয়। সঁজাতি দলটোক বিটিচি প্ৰশাসনৰ পৰা উষ্ম আদৰণি জনোৱা হয়। ইয়াৰ পিছতে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত ১১ গৰাকী বিধায়কে বিটিচি সচিবালয়ৰ প্ৰেক্ষাগৃহত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, বিটিচি পৰিষদীয় বিধানসভাৰ অধ্যক্ষ কাতিৰাম বড়ো, উপাধ্যক্ষ, কাৰ্যবাহী সদস্য, সদস্য আদিৰ সতে বৈঠকত অংশগ্ৰহণ কৰে। উক্ত বৈঠকতে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে বিটিচিৰ উন্নয়ন আৰু পৰিকল্পনাক লৈ এক সুন্দৰ প্ৰজেক্ট প্ৰেজেণ্টেচন দিয়ে। বৈঠক সমাপ্তিৰ পিছত সঁজাতি দলটোৱে বড়োলেণ্ড প্ৰাদেশীয় পৰিষদীয় বিধানসভা পৰিদৰ্শন কৰে আৰু অহা ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হবলগীয়া অসম বিধানসভাৰ আগন্তুক অধিৱেশনৰ প্ৰস্তুতি আৰু আন্তঃগাঁথনিৰ বিষয়ে বুজ লয়। ইয়াৰ পিছতেই অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বড়োলেণ্ড প্ৰাদেশীয় পৰিষদীয় বিধানসভা আৰু বিটিচি সচিবালয়ৰ প্ৰাংগণত এক সংবাদমেলৰ আয়োজন কৰে। উক্ত সংবাদমেলত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয় যে বড়োলেণ্ড প্ৰাদেশীয় পৰিষদীয় বিধানসভা ভৱনত অহা ২০২৫ চনৰ ফেব্ৰুৱাৰী মাহত অসম বিধানসভাৰ অধিৱেশন অনুষ্ঠিত হ'ব আৰু তাৰেই প্ৰস্তুতিৰ বিষয়ে সঁজাতি দলটোৱে বুজ লয়। অসম বিধানসভাৰ অধিবেশন কোকৰাঝাৰত অনুষ্ঠিত হ'বলগীয়া বিষয়টো ঐতিহাসিক বুলি মন্তব্য কৰি অসম বিধানসভাৰ অধিৱেশনৰ বাবে বিটিচিৰ আন্তঃগাঁথনি পৰ্যাপ্ত পৰিমাণে আছে যদিও



কাৰিকৰী দিশত কিছু সহায় কৰিব লগা আছে। কাৰিকৰী দিশটো অসম বিধানসভাৰ কাৰিকৰী টীমে ঠিক কৰিব বুলি মন্তব্য কৰি বিশ্বজিৎ দৈমাৰীয়ে কয় যে দিশপুৰ এদিনৰ বাবে উঠি আহিব আৰু কোকৰাঝাৰৰ পৰাই এদিনৰ বাবে অসম চলিব। গতিকে কোনোধৰণৰ যাতে অসুবিধা নহয় তাৰবাবে পৰ্যবেক্ষণ কৰি দিহা-পৰামৰ্শ দিয়া হ'ল বুলি সংবাদমাধ্যমৰ আগত মন্তব্য কৰিছে বিশ্বজিৎ দৈমাৰীয়ে। তদুপৰি বিটিচি সচিবালয়ৰ পৰিদৰ্শন কৰি সঁজাতি দলটো উপকৃত হৈছে বুলিও মন্তব্য কৰিছে অধ্যক্ষ দৈমাৰীয়ে। উক্ত সংবাদমেলতে প্ৰমোদ বড়োৱে বিধানসভাৰ দলটোক আদৰণি জনাই কয় যে অসম বিধানসভাৰ অধিবেশন এদিনীয়া কাৰ্যসূচীৰে কোকৰাঝাৰত অনুষ্ঠিত হ'বলগীয়া বিষয়টো ঐতিহাসিক আৰু উক্ত অধিৱেশনৰ যোগেদি আমি বহু কথা শিকিব পাৰিম বুলি মন্তব্য কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী চিন্তাক ধন্যবাদ জ্ঞাপন কৰি প্ৰমোদ বড়োৱে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বতে সকলো জাতি-জনগোষ্ঠীৰ উন্নয়ন হৈছে আৰু এতিয়া সকলো জাতি-জনগোষ্ঠীৰ অসন্তুষ্টি দূৰ হৈছে। উল্লেখ্য যে সংবাদমেলৰ পিছতেই বিধানসভাৰ সঁজাতি দলটোৱে সদলবলে বিছমুৰীৰ পৰা সৰলপাৰা হৈ ভূটানলৈ যোৱা পথ আৰু চামথাইবাৰীৰ পৰা ভূটানলৈ যোৱা পথদুটা পৰিদৰ্শন কৰে। ভাৰত-ভূটান সীমান্তবৰ্তী এলেকা দীঘলীত উপস্থিত হৈ ভূটান সংযোগী পথটো পৰিদৰ্শন কৰে সঁজাতি দলটোৱে। পৰিদৰ্শনৰ অন্তত বিশ্বজিৎ দৈমাৰীয়ে কয় যে কালিৰে পৰা বিধানসভাৰ সঁজাতি দলটোৱে ৰাষ্ট্ৰীয়, ৰাজ্যিক আঁচনি আৰু আন্ত:ৰাষ্ট্ৰীয় সংযোগী আঁচনিসমূহ পৰ্যবেক্ষণ কৰি আছে। তেওঁ কয় যে ৰাইজৰ অভিযোগ আছে, তেওঁলোকে বহু বছৰ কষ্টৰে চলি আছে আৰু সেয়েহে "স্পট ভিজিট" কৰা হৈছে। সৰলপাৰা হৈ ভূটানলৈ যোৱা ৰাস্তাটো সোনকালে ভাল হ'ব লাগে যাতে দুয়োখন দেশৰ নাগৰিকে কোনোধৰণৰ কষ্ট নাপায় বুলি মন্তব্য কৰি বিশ্বজিৎ দৈমাৰীয়ে কয় যে ৰাস্তাটোৰ বাবে ইতিমধ্যে নিবিদা সম্পন্ন হৈছে। ইয়াৰ পিছতেই দলটোৱে চামথাইবাৰীৰ পৰা ভূটানৰ গেলেংফু লৈ যোৱা পথটো পৰিদৰ্শন কৰে। সঁজাতি দলটোৱে শান্তিপুৰ পৰ্যন্ত পৰিভ্ৰমণ কৰে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়াবৰ্গৰ সৈতেও কথা পাতে সঁজাতি দলটোৱে। বিশ্বজিৎ দৈমাৰীয়ে চামথাইবাৰীৰ পৰা ভূটানৰ গেলেংফু লৈ যোৱা পথটোও সোনকালে ভাল হোৱাৰ কামনা কৰি অসমমালাৰ অধীনত নিৰ্মাণ হৈ থকা চাপাগুৰীৰ পৰা কয়লাময়লা যোৱা ৰাস্তাটোৰ লেহেমীয়া নিৰ্মান কাৰ্যক লৈ উদ্বেগ প্ৰকাশ কৰে। উল্লেখ্য যে বিধানসভাৰ সঁজাতি দলটোৱে কালি গোৱালপাৰা, ধুবুৰী, বঙাইগাঁও জিলাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্প পৰিদৰ্শন কৰাৰ পিছত আজি কোকৰাঝাৰ আৰু চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ সংযোগী পথসমূহ পৰিভ্ৰমণ কৰি অৱস্থাৰ বুজ লয়। সঁজাতি দলটোত বিধায়ক ক্ৰমে লৰেঞ্চ ইছলাৰী, জিৰণ বসুমতাৰী, দুৰ্গাদাস বড়ো, প্ৰদীপ সৰকাৰ, শিৱামনি বৰা, দিগন্ত ঘাটোৱাৰ, নিহাৰ ৰঞ্জন দাস, শিবু মিত্ৰ, বসন্ত দাস, ৰামকৃষ্ণ ঘোষ আৰু নিৰ্মল কুমাৰ ব্ৰহ্ম উপস্থিত আছিল।

# এপিএছচিত উত্তীৰ্ণ লাহোৱালৰ ইন্দ্ৰানী সেনাপতিক সম্বৰ্ধনা

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৯ ডিচেম্বৰঃ** অসম লোকসেৱা আয়োগে ২০২৩ বৰ্ষত অনুষ্ঠিত কৰা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সমবায় বিভাগত কৰ্মৰত ডিব্ৰুগড় জিলাৰ লাহোৱালৰ ২নং জাপিসজীয়া গাঁৱৰ ইন্দ্ৰানী সেনাপতিক বিহু সুৰক্ষা সমিতিয়ে সম্বৰ্ধনা জ্ঞাপন কৰিছে। বিত্ত বিভাগত চতুৰ্থ স্থান দখল কৰা ২নং জাপিসজীয়া গাঁৱৰ দৰ্পন সেনাপতি আৰু অৰুণা সেনাপতিৰ কন্যা ইন্দ্ৰানী সেনাপতিক নিজা বাসগৃহত সম্বৰ্ধনা জ্ঞাপন কৰিছে বিহু সুৰক্ষা সমিতিয়ে। বিহু সুৰক্ষা সমিতি অসমৰ প্ৰচাৰ সম্পাদক কৃপাল ফুকনৰ নেতৃত্বৰ এটা প্ৰতিনিধি দলে সম্বৰ্ধনা জ্ঞাপন কৰে। ইন্দ্ৰানী সেনাপতি ডিব্ৰুগড় জিলাৰ সমবায় বিভাগৰ উপ-পঞ্জীয়কৰ কাৰ্যালয়ত পৰীক্ষক হিচাপে কৰ্মৰত। ল'ৰালী কালৰে পৰা মেধাৰ পৰিচয় দাঙি ধৰিছে ইন্দ্ৰানী সেনাপতিয়ে। ২০০৮ বৰ্ষত ডিব্ৰুগড়স্থিত ছেইণ্ট মেৰীজৰ পৰা পৰীক্ষাত বহি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৮৮ শতাংশ নম্বৰ লাভ কৰি লাহোৱাল অঞ্চলৰ শ্ৰেষ্ঠ শিক্ষাৰ্থীৰ সন্মান অৰ্জন কৰিছিল। অসমীয়া মাধ্যমত অধ্যয়ন কৰা ইন্দ্ৰানীৰ সাহিত্যিক ডঃ ভৱেন্দ্ৰনাথ নাথ শইকীয়া প্ৰিয় সাহিত্যিক। আজৰি সময়ত অসমীয়া উপন্যাস পঢ়ি ভাল পায়। এই সফলতাত মাতৃ অৰুণা সেনাপতিৰ অৱদানৰ কথা স্বীকাৰ কৰে আৰু অনাগত দিনত ৰাইজৰ হৈ সেৱা কৰি যাব বুলি কয় ইন্দ্ৰানীয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# জেএমচিএইছ চৌহদৰ পৰা চুৰি মটৰ চাইকেল

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৯ ডিচেম্বৰঃ** যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চৌহদৰ পৰা যোৱা নিশা চোৰে চুৰি কৰি লৈ যায় এখন ছুপাৰ স্প্লেণ্ডাৰ মটৰচাইকেল। দেৰগাঁৱৰ নাককাটি বহি খোৱাৰ ভাইটি পেগুৱে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থকা তেওঁৰ কনিষ্ঠ ভাতৃ সাগৰ পেগুৰ খবৰ ল'বলৈ খুৱাকৰ এ এছ-০৪ পি-৯৬৭৩ নম্বৰৰ মটৰচাইকেলখনলৈ উপস্থিত হয় আৰু মহাবিদ্যালয়ৰ চৌহদত মটৰচাইকেলখন ৰখাই ভাতৃৰ কাষলৈ যোৱাৰ সময়তে চোৰে চুৰি কৰি নিয়ে। যুৱকজনে এই সন্দৰ্ভত স্থানীয় আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে যদিও চোৰক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে পূৰ্বেও যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চৌহদৰ পৰা চুৰি কৰি নিছিল ৰোগীৰ আত্মীয়ৰ মটৰচাইকেল।

# এগৰাকী মহিলাই নিদ্ৰা হৰিছে মৰাণৰ একাংশ মহিলাৰ!

**ই-সংবাদ, মৰাণ, ১৯ ডিচেম্বৰঃ** এগৰাকী মহিলাৰ প্ৰৱঞ্চনাৰ বলি হৈ আৰক্ষীৰ কাষ চাপিবলগীয়া হৈছে মৰাণৰ আন একাংশ মহিলা। মৰাণৰ বেজবৰুচুক বঙালী গাঁও নিবাসী তথা এগৰাকী আৰক্ষীৰ কনিষ্টবলৰ পত্নী বৰ্ণালী গগৈৰ বিৰুদ্ধে উত্থাপিত হৈছে গুৰুতৰ অভিযোগ। এই বৰ্ণালী গগৈয়ে একে গাঁৱৰে বহু মহিলাৰ পৰা ২০১৯ আৰু ২০২০ বৰ্ষৰ বিভিন্ন সময়ত নানান চল-চাতুৰি, প্ৰলোভন, চিকিৎসাৰ অজুহাত, ঘৰুৱা অসুবিধা আদি দেখুৱাই পাঁচ লক্ষাধিক টকা ধাৰত লয়। পাঁচ/ছয় মাহৰ ভিতৰত উক্ত টকাসমূহ ঘূৰাই দিব বুলি প্ৰত্যেকক মৌখিক প্ৰতিশ্ৰুতিও দিয়ে বৰ্ণালী গগৈ নামৰ চতুৰ মহিলাগৰাকীয়ে। কিন্তু সময় যোৱাৰ লগে লগে টকা ঘূৰাই দিয়াৰ পৰিৱৰ্তে মহিলাসকলক নানান মিছা কথা, ভয়-ভাবুকি প্ৰদৰ্শন কৰি সমুদায় টকা আত্মসাৎ কৰে। ভুক্তভোগী ৮ গৰাকী মহিলাই ২০২২ চনত বৰ্ণালী গগৈৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰ পাছতে টকা ঘূৰাই দিম বুলি চুক্তিবদ্ধ হৈছিল যদিও আজিপৰ্যন্ত টকা ঘূৰাই নাপালে মহিলাসকলে। বৰ্তমান গাঁওখনৰ ৯ গৰাকী মহিলাৰ সৰ্ব্বমুঠ ৫ লাখ ৪০ হাজাৰ টকা আত্মসাৎ কৰি ৰাখিছে বৰ্ণালী গগৈয়ে। পাবলগীয়া টকা বিচাৰি যোৱা মহিলাসকলক নানান অশ্ৰাব্য গালিগালাজ কৰাৰ উপৰি শাৰীৰিকভাৱে অপদস্ত কৰাৰ অভিযোগ কৰিছে মহিলাসকলে। ভুক্তভোগী মহিলাসকলে পুনৰ মৰাণ থানাত এজাহাৰ দাখিল কৰাৰ লগতে উক্ত মহিলাগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

## বাক্সা জিলা প্ৰশাসনে গ্ৰহণ কৰিলে বিশেষ উদ্যোগ

# কৃষ্ণগুৰুত শৰণ লৈ এঘৰীয়া হোৱা পৰিয়ালে অৱশেষত পালে ন্যায়

**ই-সংবাদ, মুছলপুৰ, ১৯ ডিচেম্বৰঃ** বাক্সা জিলাৰ চৰাইমাৰীৰ পূব চুবুৰীত কৃষ্ণগুৰুত শৰণ লোৱাৰ অপৰাধতে বছৰ বছৰ ধৰি এঘৰীয়া কৰি ৰখা মৃত চানাৰাম দাসৰ পৰিয়ালে অৱশেষত ন্যায় পালে। উল্লেখ্য যে ধৰ্মীয় উপাসনাৰ পদ্ধতি সলনি কৰি কৃষ্ণগুৰু ধৰ্মত শৰণ লোৱাৰ অপৰাধতে চৰাইমাৰীৰ পূব চুবুৰীৰ চানাৰাম দাসৰ পৰিয়ালটোক চুবুৰীটোৰ সভাপতি-সম্পাদকে বিচাৰ পাতি সামাজিকভাৱে তিনি দশক ধৰি এঘৰীয়া কৰি ৰখাৰ লগতে পৰিয়ালটোলৈ চুবুৰীটোৰ কোন লোক অহা-যোৱা কৰিলে জৰিমনা বিহাৰ নিয়ম বান্ধি দিছিল। যোৱা ৭ ডিচেম্বৰত পৰিয়ালটোৰ মুৰব্বী চানাৰাম দাসৰ মৃত্যু হোৱাৰ পিছতো এঘৰীয়া হোৱা তথা জৰিমনা বিহাৰ ভয়তে কোনো ওচৰ-চুবুৰীয়া তথা গাঁওখনত থকা চানাৰাম দাসৰ ভাতৃ পৰিয়ালৰ লোকো মৃতদেহ সৎকাৰৰ সময়ত উপস্থিত নাথাকিল। চুবুৰীটোৰ ৰাইজৰ এনে অমানৱীয় আচৰণত মানসিকভাৱে ভাগি পৰা চানাৰাম দাসৰ বৃদ্ধা পত্নী চাৰুবালা দাসে এই ক্ষেত্ৰত চৰকাৰ তথা প্ৰশাসনৰ হস্তক্ষেপ বিচাৰি সংবাদ মাধ্যমৰ জৰিয়তে অনুৰোধ জনাইছিল। বিষয়টো সংবাদ মাধ্যমত বহুলভাৱে প্ৰচাৰ হোৱাৰ পিছতেই অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে বাক্সা জিলা প্ৰশাসনৰ দৃষ্টিগোচৰ হোৱাত বিষয়টোৰ ওপৰত হস্তক্ষেপ কৰে। যথা ধৰ্মীয় ৰীতি-নীতিৰে মৃতকৰ কৰ্ম সমাপন হোৱাৰ পিছত আজি বাক্সা জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ জিতু কুমাৰ বৰ্মনৰ উপস্থিতিত জিলা আয়ুক্তৰ সভাকক্ষত দুয়ো পক্ষৰ মাজত এক আলোচনা অনুষ্ঠিত হয়। আলোচনাৰ অন্তত চুবুৰীটোৰ সভাপতি প্ৰদীপ কলিতা আৰু সম্পাদক কিশোৰ দাসে ভৱিষ্যতে চানাৰাম দাসৰ পৰিয়ালটোৰ ক্ষেত্ৰত থকা বাধা-নিষেধ তথা জৰিমনা বিহাৰ তথাকথিত নিয়ম প্ৰত্যাহাৰ কৰাৰ লগতে সকলো ভেদভাৱ প্ৰত্যাখ্যান কৰি পূৰ্বৰ দৰেই মিলাপ্ৰীতিৰে জীৱনযাত্ৰা আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। জিলা অতিৰিক্ত দণ্ডাধীশ জিতু কুমাৰ বৰ্মনে দুয়ো পক্ষকে শান্তি-সম্প্ৰীতিৰে বসবাস কৰিবলৈ পৰামৰ্শ প্ৰদান কৰি ভৱিষ্যতে কিছু সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত সাৱধান হ'বলৈ আহ্বান জনায়। আজিৰ এই আলোচনাত সহকাৰী আয়ুক্ত তথা কাৰ্যবাহী দণ্ডাধীশ মৃগাক্ষী শৰ্মাও উপস্থিত থাকে।




ইউএছটিএমত এনেদৰে পালন কৰিছে প্ৰাক-বৰদিন, বৃহস্পতিবাৰে

# তিনি মাহে বিকল ট্ৰেন্সফৰ্মাৰ, বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত ৰামৰাইকুঠীবাসী

**ই-সংবাদ, গোলকগঞ্জ, ১৯ ডিচেম্বৰঃ** জল জীৱন আঁচনিৰ ক্ষেত্ৰত অসমত সফল হোৱা বুলি ৰাজ্য চৰকাৰে ঢাক ঢোল বজাই থকাৰ সময়তে ধুবুৰী জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আগমনি শাখাৰ অধীনৰ ভাৰত-বাংলাদেশ সীমান্তৰ ৰামৰাইকুঠী বিশুদ্ধ খোৱাপানী যোগান আঁচনিখন আজি তিনি মাহে বিকল হৈ থকা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, দীৰ্ঘদিনৰ পৰাই আঁচনিখন পৰিত্যক্ত হৈ থকাৰ অন্তত সাত আঠ মাহ পূৰ্বে বিভাগীয়ভাৱে ১৬৬•০০ লাখ টকা ব্যয়ৰে পুনৰুজ্জীৱিত কৰে। আঁচনিখনৰ পৰা ঘৰত নলী সংযোগ কৰা সীমান্তৰ ৫২৪ টা ঘৰৰ লগতে সংযোগবিহীন পথৰ দাঁতিৰ টেপৰ পৰা পানী সংগ্ৰহ কৰি আন পাঁচ শতাধিক পৰিয়াল বিশুদ্ধ পানীৰ সুবিধা ভোগ কৰিবলৈ সক্ষম হয়। কিন্তু এই সুবিধা বেছিদিন উপভোগ কৰিবলৈ সক্ষম নহ'ল। তিনি মাহ পূৰ্বে বিদ্যুতৰ ট্ৰেন্সফৰ্মাৰটো বিকল হৈ পৰে। ফলত আঁচনিখনৰ সকলো মেচিন ঠিক থকা সত্ত্বেও পুনৰ বিশুদ্ধ খোৱাপানীৰ যোগান বন্ধ হৈ পৰে। কিন্তু তিনি মাহ উকলাৰ পিছতো বিভাগীয় কৰ্তৃপক্ষই ট্ৰেন্সফৰ্মাৰটো মেৰামতি অথবা সলনি কৰাৰ কোনো চিন্তা-চৰ্চা নকৰাৰ অভিযোগ উত্থাপিত হৈছে। যাৰ বাবে সীমান্তবাসী পুনৰ বিপজ্জনকভাৱে দমকল, কুঁৱা আদিৰ পানীৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হৈছে। ৰাইজৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি শীঘ্ৰে আঁচনিখন কাৰ্যক্ষম কৰাৰ দাবী জনাইছে।

# বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ বৰ্ষপূৰ্তি

**ই-সংবাদ, মৰিয়নি, ১৯ ডিচেম্বৰঃ** যোৰহাট জিলাৰ অসম নাগালেণ্ড সীমান্তবৰ্তী চেলেংহাটত চাৰি বছৰ পূৰ্বে গঠন হোৱা বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীয়ে ইতিমধ্যে সমাজ আৰু সংস্কৃতিৰ বিভিন্ন দিশত কাম কৰি আগুৱাই গৈছে। এই অনুষ্ঠানটোৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস এইবাৰ দিবা নৈশ কাৰ্য্যসূচীৰে চেলেংহাট বৰনগঞা গাঁওৰ এক প্ৰাকৃতিক পৰিবেশৰ মাজত অনুষ্ঠিত হয়। পুৱা বন্তি প্ৰজ্বলন কৰে সমাজ কৰ্মী তুষাৰ পাল আৰু লক্ষী গগৈয়ে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা স্বৰ্গীয় যজ্ঞেশ্বৰ ফুকন আৰু বীৰেন শইকীয়া সোঁৱৰণী অবিভক্ত শিৱসাগৰ জিলাৰ ভিত্তিত দুটা শাখাত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাত নিম্ন শাখাত টীয়ক হলি ফ্লাৱাৰ স্কুলৰ ছাত্ৰ অভিৰাজ গগৈ আৰু উচ্চ শাখাত টীয়ক জাতীয় বিদ্যালয়ৰ ছাত্ৰ স্বপনজিত দত্তই প্ৰথম স্থান লাভ কৰে। দিনৰ এক বজাৰ পৰা অনুষ্ঠিত হোৱা ভাওনাৰ সংলাপ প্ৰক্ষেপণ প্ৰতিযোগিতা খনি উদ্বোধন কৰে সমাজকৰ্মী নিলোৎপল গগৈয়ে। অনুষ্ঠানত বিচাৰক হিচাপে উপস্থিত থকা সঞ্জীৱ বৰা আৰু মুনিন্দ্ৰ গগৈয়ে মননশীল ভাষণ প্ৰদান কৰে। প্ৰতিযোগিতাত নিম্ন শাখাত ক্ৰিষ্টিনা নাথে প্ৰথম আৰু উচ্চ শাখাত শিল্পী হাতীবৰুৱা দাসে প্ৰথম স্থান লাভ কৰে। উল্লেখযোগ্য বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি এই বৰ্ষৰ "নৱোন্মেষ বঁটা ২০২৪" প্ৰদান কৰে সাংস্কৃতিক কৰ্মী অভিনেতা আৰু পৰিচালক পংকজ গোস্বামীক । লগতে বিশেষ ভাৱে যুৱ সমাজকৰ্মী তথা অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সহ: সম্পাদক আকাশ বীৰ শইকীয়া আৰু টাইকোৱাণ্ডো খেলত বিশেষ সফলতা লাভ কৰা উদীয়মান ক্ৰীড়া প্ৰতিভা দিশা পাত্ৰক অভিনন্দন জ্ঞাপন কৰা হয়। এই অনুষ্ঠানতেই চেলেংহাটত আত্মপ্ৰকাশ কৰা আন্দিনী প্ৰকাশনে প্ৰকাশ কৰা পুৰ্নিমা ফুকন বৰুৱাৰ কবিতা পুথি "জেতুকা বুলীয়া মৰমবোৰ" আৰু মদন মোহন পাগবন্ধাৰ সম্পাদনাত "অনুভৱী হৃদয়ৰ কথকতা" নামৰ দুখন কবিতা পুথি উন্মোচন কৰে ক্ৰমে চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিগন্ত কুমাৰ শইকীয়া আৰু জনপ্ৰিয় কবি তথা শিশু সাহিত্যিক অৰূপজ্যোতি হাজৰিকাই। উক্ত অনুষ্ঠানত সাংস্কৃতিক কৰ্মী শিখা বেজবৰুৱা, যোৰহাট জিলা আপকুৰ সভাপতি জ্যোতিপ্ৰসাদ গগৈ, সাংবাদিক গকুল বৰা, অৰূপ গগৈ, স্মৃতি প্ৰিয়া লাহন, যোৰহাট জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি পৰিক্ষিত ফুকনকে ধৰি বহু কেইজন শিল্পী, সাহিত্যিক, কবি আৰু গন্যমান্য ব্যক্তি উপস্থিত থাকে। তাৰ পাছতেই শীতৰ এনিশা শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত জামুগুৰিৰ নৃত্যম ডান্স একাডেমীৰ ছাত্ৰী সকলৰ নৃত্য প্ৰদৰ্শন আৰু শিক্ষক পবিত্ৰ গগৈ, বিদ্যুত গগৈ, দেৱপ্ৰসাদ গগৈ, জনপ্ৰিয় সংগীত শিল্পী ৰাজ বল্লভে গীতৰ শৰাই আগবঢ়ায়।

## লালাবড়ীত উৰলি যোৱা অৱস্থাত মৃত মাইকী হাতী উদ্ধাৰ

# দুধনৈৰ পাহাৰতলীত বন্যহস্তীয়ে ভাঙিলে বাসগৃহ

**ই-সংবাদ, ধূপধৰা, ১৯ ডিচেম্বৰঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই মধ্য বনাঞ্চলিক কাৰ্যালয় এলেকাৰ ভিন্ন প্ৰান্তত বনৰীয়া হাতীৰ উপদ্ৰৱ অব্যাহত আছে। বুধবাৰে নিশা হঠাৎ দুধনৈ নিকটৱৰ্তী মাজ-জাখিলী এলেকাত এটা অকলশৰীয়া হাতী বিচৰণ কৰা পৰিলক্ষিত হয়। পিছত হাতীটোৱে কম সময়তে শিমলাপাৰা, কৰকশী, শিলৰবড়ী, পাহিদল, গুৱাবাৰী আৰু পাহাৰতলী গাঁৱত আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। গাঁৱৰ মানুহৰ পদূলিয়ে, চোতালে ঘূৰি ফুৰা হাতীটোৱে পাহাৰতলী গাঁৱৰ গীতা দৈমাৰীৰ দুটাকৈ বাসগৃহ ভাঙি থানবান কৰে। হাতীৰ আক্ৰমণত ঘৰৰ ভিতৰত থকা আচবাবসমূহৰো বিস্তৰ ক্ষতিসাধন হয়। হাতীয়ে ঘৰ ভঙাৰ উমান পাই কথমপিহে বোৱাৰীৰ সৈতে জীৱন ৰক্ষা কৰিবলৈ সক্ষম হয় গীতা দৈমাৰী নামৰ মহিলাগৰাকী। আনহাতে, কালি দিনৰ প্ৰায় এঘাৰ মান বজাত গোৱালপাৰা বনাঞ্চলিক কাৰ্যালয় অন্তৰ্গত লালাবড়ী বৰজুলি বনাঞ্চলত মৃত অৱস্থাত এটা মাইকী বন্যহস্তী প্ৰত্যক্ষ কৰে স্থানীয় লোকে। প্ৰায় এক সপ্তাহ পূৰ্বে হাতীজনীৰ মৃত্যু হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় লোকে। অৰ্ধগলিত অৱস্থাত উদ্ধাৰ হোৱা হাতীজনীৰ মৃত্যুৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই। অৱশ্যে মৰণোত্তৰ পৰীক্ষাৰ অন্তত সমগ্ৰ তথ্য পোহৰলৈ আহিব বুলি বন বিভাগৰ ফালৰ পৰা সদৰি কৰিছে। উল্লেখ্য যে, এটা মাহৰ ভিতৰত জিলাখনত দুটাকৈ বন্যহস্তীৰ মৃত্যু হোৱাৰ বিপৰীতে চাৰিগৰাকী লোক হাতীৰ আক্ৰমণত নিহত হৈছে।

# বিশিষ্ট সমাজকৰ্মী বিপিন চন্দ্ৰ বৰাৰ মৃত্যুত ভৰাগুৰিত শোকৰ ছাঁ

**ই-সংবাদ, পুৰণিগুদাম, ১৯ ডিচেম্বৰঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী অন্তৰ্গত ভৰাগুৰি গাঁৱৰ সমাজকৰ্মী বিপিন চন্দ্ৰ বৰা (৬৮)ৰ আজি দুপৰীয়া মৃত্যু হয়। বিগত কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত ভৰাগুৰি মণ্ডল কংগ্ৰেছৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি বিপিন চন্দ্ৰ বৰাই ভৰাগুৰি গাঁও পঞ্চায়তত কংগ্ৰেছ দলৰ সাংগঠনিক দিশ সবল কৰিছিল।তদুপৰি বিপিন চন্দ্ৰ বৰা পদুমণি শিলপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আছিল। বৰ্তমান ভৰাগুৰি শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিৰ লগতে পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সদস্য আছিল। পূৰ্বতে বৃহত্তৰ ভৰাগুৰি গাঁৱত অনুষ্ঠিত হোৱা শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসোৎসৱটি বিপিন চন্দ্ৰ বৰাই পৰিচালনা কৰাৰ লগতে ভৰাগুৰি গাঁৱৰ সূত্ৰধাৰ আছিল। প্ৰয়াত বিপিন চন্দ্ৰ বৰা শংকৰ সংঘৰ আঞ্চলিক শাখাৰ উপ-সভাপতি হোৱাৰ উপৰিও শংকৰ সংঘৰ জিলা শাখাৰ কাৰ্যনিৰ্বাহক সদস্য আছিল। ভৰাগুৰি আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল প্ৰয়াত বিপিন চন্দ্ৰ বৰা। পদুমণি আঞ্চলিক দুৰ্গাপূজা সমিতিৰ লগতে বৃহত্তৰ ভৰাগুৰি আৰু পদুমণি অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত বিপিন চন্দ্ৰ বৰাৰ আজি আকস্মিক মৃত্যুত বৃহত্তৰ ভৰাগুৰি অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। আজি দুপৰীয়া তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পাছত বহু গুণমুগ্ধই তেওঁৰ বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধা জনায়।পদুমণি শিলপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়তো বিপিন চন্দ্ৰ বৰাৰ আত্মাৰ সৎগতিৰ কামনা কৰি এখন শোকসভা অনুষ্ঠিত হয়। বিপিন চন্দ্ৰ বৰাৰ মৃত্যুত পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, পদুমণি শিলপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়, ভৰাগুৰি শংকৰদেৱ প্ৰাথমিক বিদ্যালয়, শংকৰ সংঘৰ ভৰাগুৰি-পদুমণি প্ৰাথমিকৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰ-বোৱাৰী, দুই নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক এৰি থৈ যায়।

# সৰুপথাৰ সমজিলাত নিচাযুক্ত দ্ৰব্য নিবাৰণ সন্দৰ্ভত বিশেষ সজাগতা সভা সম্পন্ন

**ই-সংবাদ, সৰুপথাৰ, ১৯ ডিচেম্বৰঃ** সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগ, ৰাজ্যিক নিচাযুক্ত আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদ অসমৰ সৰুপথাৰ সমজিলাৰ উদ্যোগত পদুমণি উচ্চ মাধ্যমিক বিদ্যালয় আৰু পদুমণি মধ্য ইংৰাজী বিদ্যালয়ৰ আতিথ্যত আজি নিচাযুক্ত দ্ৰব্য অপকাৰিতাৰ বিষয়ে এক সজাগতা সভা অনুষ্ঠিত হয়। বিনয় শৰ্মাই আঁত ধৰা সজাগতা সভাত সভাপতিত্ব কৰে পদুমণি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মমী মহন্তই। অনুষ্ঠানত সৰুপথাৰৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া তাপশ্ৰী মহন্ত, সেৰিকা কুলজ্যোতি কোঁৱৰ, সৰুপথাৰ চিভিল হাস্পতালৰ বিপিএম মমী বাইলুং, ৰাজ্যিক নিচাযুক্ত আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদ অসম, সৰুপথাৰ সমজিলাৰ নিবাৰণী সংগঠক উমেশ ঘাটোৱাৰ, পদুমণি উচ্চ মাধ্যমিক বিদালয়ৰ প্ৰধান শিক্ষক উত্তম কেওটৰ লগতে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি মাদক দ্ৰব্য নিবাৰণ সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাত বিশিষ্ট ব্যক্তিসকলে নিচাযুক্ত দ্ৰব্যৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক আঁতৰি থাকি অধ্যয়নপুষ্ট হৈ এখন সুন্দৰ সমাজ গঠনৰ লগতে মানৱ সম্পদ গঢ়িবলৈ আহবান জনায়।

## পুথিভঁৰাল ‘বৰ্ণমালা’ত ‘সৰ্বকলা বিশাৰদ বিষ্ণুপ্ৰসাদ ৰাভা’ শীৰ্ষক গ্ৰন্থ উন্মোচন

# অসমীয়াই জীৱিতকালত বিষ্ণু ৰাভাক উপযুক্ত সন্মান প্ৰদান কৰিব নাজানিলেঃ ড০ নগেন শইকীয়া

**ই-সংবাদ, ডিব্ৰুগড়, ১৯ ডিচেম্বৰঃ** প্ৰথিতযশা সাহিত্যিক, মিতভাষৰ স্ৰষ্টা, সাহিত্য একাডেমি ফেল’ ড০ নগেন শইকীয়াই তেখেতৰ নিজা পুথিভঁৰাল ‘বৰ্ণমালা’ত শিৱসাগৰৰ বিশিষ্ট লেখক, সমাজকৰ্মী অনন্ত ফুকনৰ ‘সৰ্বকলা বিশাৰদ বিষ্ণুপ্ৰসাদ ৰাভা’ শীৰ্ষক এখনি সম্পাদিত গ্ৰন্থ উন্মোচন কৰে। উন্মোচনী ভাষণত সাহিত্যিকগৰাকীয়ে কয় যে অসমত নেথাকি যদি বিষ্ণুপ্ৰসাদ ৰাভা পশ্চিমবংগত থাকিললেহেঁতেন তেন্তে জীৱিত কালত অধিক সন্মান লাভ কৰিলে হয়। কিন্তু অসমীয়াই জীৱিতকালত ৰাভাক উপযুক্ত সন্মান প্ৰদান কৰিব নেজানিলে। ৰাভাৰ গীত-নৃত্যকে ধৰি বিভিন্ন দিশৰ অগাধ পাণ্ডিত্য আৰু জীৱন-দৰ্শনৰ কথা উল্লেখ কৰি ভাষণত তেওঁ আৰু কয় যে অসমত শংকৰ-মাধৱ, জ্যোতিপ্ৰসাদৰ পিছতেই বিশেষ ব্যক্তি হিচাপে স্থান দিব পাৰি বিষ্ণুপ্ৰসাদ ৰাভাক। প্ৰয়াত ভূপেন হাজৰিকাৰ দৰে সংগীত শিল্পীৰো গুৰু আছিল বিষ্ণুপ্ৰসাদ ৰাভা। বিংশ শতিকাৰ প্ৰায় দুটা দশকৰ ভিতৰত জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ, ভূপেন হাজৰিকাৰ দৰে সংগীতজ্ঞই অসমীয়া সংগীতক এক নতুন গতি প্ৰদান কৰিছিল। তেওঁ ধনাঢ্য পৰিয়ালত জন্মগ্ৰহণ কৰিও সকলো সম্পত্তি জনজীৱনৰ হকে দান কৰিছিল আৰু ব্ৰিটিছৰ বিৰুদ্ধে আন্দোলনত জঁপিয়াই পৰিছিল। সমান্তৰালকৈ তেওঁ সংগীত-নৃত্য আদিৰ চৰ্চা কৰিছিল আৰু ইয়াক নতুন মাত্ৰা প্ৰদান কৰিছিল। যোৰহাট জে বি কলেজত এবাৰ ৰাভা আহোঁতে অসমীয়া ভাষাৰ আঁতিগুৰি সম্পৰ্কে প্ৰদান কৰা তথ্যসমৃদ্ধ আৰু ৰসাল বক্তৃতাৰ কথা সদৰি কৰি পৰৱৰ্তী সময়ত অসম সাহিত্য সভাৰ তৰফৰ পৰা তেজপুৰৰ ৰাভাৰ বাসগৃহত কৰা সাক্ষাৎকালত শংকৰ-মাধৱৰ একত্ৰ ছবিৰ লগতে অন্যান্য বহু ছবি ৰাভাই নিজে দেখুওৱাৰ কথাও স্মৰণ কৰে শইকীয়াই। ড০ শইকীয়াই নতুন দৃষ্টিৰে অধিকাংশ নতুন লেখক-লেখিকাই অতি শেহতীয়াকৈ লেখা এই গ্ৰন্থখনি স্মৰণীয় হ’ব বুলি উল্লেখ কৰি ইয়াৰ নিবন্ধসমূহৰ শলাগ লয় আৰু গ্ৰন্থখনে পাঠকৰ সমাদৰ লাভ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলো উপকৃত হ’ব বুলি আশা প্ৰকাশ কৰে। শিৱসাগৰৰ বীৰ লাচিত বৰফুকন কলেজৰ অধ্যাপক, লেখক ড০ সীমান্ত বৰুৱাই আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকি অসম সাহিত্য সভাৰ দুবাৰকৈ সভাপতিৰ আসন অলংকৃত কৰা অধ্যাপক ড০ নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদৰ সভাপতি তথা ডিব্ৰুগড় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ কন্দৰ্প কুমাৰ ডেকাই ৰাভাৰ বিষয়ে নতুনকৈ এই গ্ৰন্থখনি প্ৰকাশ কৰি এক মহৎ কাৰ্য সম্পাদন কৰিছে বুলি উল্লেখ কৰি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড০ পল্লৱী ডেকা বুজৰবৰুৱায়ো তেওঁৰ বক্তব্যত এই গ্ৰন্থখনি বিষ্ণুপ্ৰসাদ ৰাভা সম্পৰ্কত নতুন শিকাৰুৰ গৱেষণাৰ বাবে সহায়ক হ’ব আৰু ৰাভাৰ সম্পৰ্কত নতুন নতুন সঁচা দিশবোৰ উন্মোচিত হ’ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত থকা নাগালেণ্ড বিশ্ববিদ্যালয়ৰ ফৰেষ্টি বিভাগৰ অধ্যাপক ড০ ময়ুৰ ফুকন, শিৱসাগৰ ছোৱালী কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড০ কিশোৰ কুমাৰ দেউৰী, শিৱসাগৰ জিলা সাহিত্য সভাৰ নৱনিৰ্বাচিত সম্পাদক মনোজ কুমাৰ গগৈ, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ফটোগ্ৰাফাৰ সৌৰভ দুৱৰায়ো শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। সাহিত্যিকগৰাকীৰ সহধৰ্মিণী লাৱণ্য বৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সহযোগী অধ্যাপক ড০ যাদৱ বৰাও উপস্থিত থকা অনুষ্ঠানত ন্যাসৰ প্ৰচাৰ সচিব ৰতন হাজৰিকাই ন্যাসৰ কাম-কাজ আৰু ড০ শইকীয়াৰ জীৱন-কৃতী সম্পৰ্কে চমুকৈ আলোকপাত কৰাৰ লগতে শলাগ জ্ঞাপন কৰে।




# ক’লাবেজ পৰিধান কৰি সাংবাদিকৰ প্ৰতিবাদ

**ই-সংবাদ, ১৯ ডিচেম্বৰঃ** গুৱাহাটী মহানগৰীৰ উজানবজাৰত সাংবাদিকে বিৰোধী দলৰ নেতাৰ ভাষ্য সংগ্ৰহ কৰি থকাৰ সময়তে জ্যেষ্ঠ আৰক্ষী বিষয়াৰ নিৰ্দেশত তলতীয়া আৰক্ষীয়ে সাংবাদিক আৰু কংগ্ৰেছ নেতাক লক্ষ্য কৰি কন্দুৱা গেছ নিক্ষেপ কৰিছিল। কন্দুৱা গেছ নিক্ষেপ কৰাত গেছৰ শ্বেল গাতি লাগি কংগ্ৰেছ নেতা মৃদুল ইছলাম নিহত হোৱাৰ লগতে কেবাগৰাকী সাংবাদিক আহত হয়। সাংবাদিকে পথৰ দাঁতিত বহি নিজকে ৰক্ষা কৰিবলৈ প্ৰয়াস কৰা ভিডিঅ’ ভাইৰেল হোৱাৰ পিছতে আৰক্ষীয়ে সাংবাদিকৰ সৈতে কৰা বৰ্বৰতাৰ বিৰুদ্ধে ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তাৰ মাজতে আজি গুৱাহাটী প্ৰেছ ক্লাবৰ আহ্বানত গুৱাহাটীৰ একাংশ সাংবাদিকে ক’লাবেজ পৰিধান কৰি আৰক্ষীৰ নিন্দনীয় কাৰ্যৰ বিৰোধ কৰে। গুৱাহাটীৰ বিভিন্ন সংবাদ প্ৰতিষ্ঠানৰ সাংবাদিসকলে ক’লা বেজ পৰিধান কৰি মহানগৰৰ আৰক্ষীৰ বৰ্বৰতাৰ বিৰুদ্ধে প্ৰতিবাদ জনায়। কেইবাটাও সংবাদ প্ৰতিষ্ঠানৰ সাংবাদিসকলে পুৱাই বাতৰি সংগ্ৰহৰ বাবে ওলাই যোৱাৰ সময়ত ক’লা বেজ পৰিধান কৰি যোৱা পৰিলক্ষিত হয়। সাংবাদিকসকলে ক’লা বেজ পৰিধান কৰি সাংবাদিকৰ সুৰক্ষা নিশ্চিত কৰাৰ দাবী জনায়। কৰ্তব্যৰত সাংবাদিকসকলৰ সৈতে নিয়মিতভাৱে এনে কাণ্ড সংঘটিত হৈ অহাৰ বিৰোধিতা কৰিছে গুৱাহাটী প্ৰেছ ক্লাবে। আৰক্ষী প্ৰশাসনক এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি নকৰিবলৈ দাবী জনাই কৰ্তব্যৰত অৱস্থাত সাংবাদিকক বাৰে বাৰে কৰা আক্ৰমণৰ প্ৰতিবাদস্বৰূপে সকলো সংবাদকৰ্মীক ক’লা বেজ পৰিধান কৰিবলৈ গুৱাহাটী প্ৰেছ ক্লাবে আহ্বান জনাইছিল। উল্লেখ্য যে, কংগ্ৰেছে কালি স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ, মণিপুৰত শান্তি ঘূৰাই অনাৰ দাবীত ‘ৰাজভৱন চলো’ কাৰ্যসূচী ৰূপায়ণৰ সময়ৰ ভাইৰেল হোৱা কেবাটাও ভিডিঅ’ত সাংবাদিকসকলে ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হোৱা দেখা যায়। এটা ভিডিঅ’ত দেখা যায় যে এগৰাকী জ্যেষ্ঠ মহিলা আৰক্ষীয়ে বিষয়াই কংগ্ৰেছ নেতাৰ ভাষ্য গ্ৰহণ কৰি থকা সাংবাদিকক লক্ষ্য কৰি তলতীয়া আৰক্ষীক কন্দুৱা গেছ সেই স্থানত নিক্ষেপ কৰিবলৈ নিৰ্দেশ দিছিল। সাংবাদিক আৰু কংগ্ৰেছ নেতাই জুম বন্ধা ঠাইৰ পৰা প্ৰায় চাৰি মিটাৰ নিলগৰ পৰা কন্দুৱা গেছ নিক্ষেপ কৰাৰ লগে লগে সাংবাদিক আৰু কংগ্ৰেছ নেতাৰ অৱস্থা বেয়া হৈছিল। এই ঘটনাত সাংবাদিক অমৰেন্দ্ৰ ডেকা, কল্পজিৎ শইকীয়া, আছিফ আহমেদ, ৰাজু বৰাসহ কেবাগৰাকী সাংবাদিক অসুস্থ হৈ পৰে। এনে পৰিপ্ৰেক্ষিততে আজি গুৱাহাটীৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত সাংবাদিকসকলে প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হয়।

# বকোৰ কলিয়াবড়ীত মুগা পালনৰ প্ৰশিক্ষণ

**ই-সংবাদ, ধূপধৰা, ১৯ ডিচেম্বৰঃ** কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ মুগা সঁচ উৎপাদন কেন্দ্ৰৰ উদ্যোগত কামৰূপৰ বকোৰ কলিয়াবড়ীস্থিত ৰেচম বীজ উৎপাদন কেন্দ্ৰত পাঁচদিনীয়াকৈ পঞ্জীয়নভুক্ত বীজ উৎপাদকসকলৰ বাবে সক্ষমতা বৃদ্ধি আৰু প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈ আছে। যোল্ল ডিচেম্বৰৰ পৰা বিশ ডিচেম্বৰলৈ চলিবলগীয়া এই কাৰ্যসূচীৰ বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে কলিয়াবড়ী ৰেচম বীজ উৎপাদন কেন্দ্ৰৰ বৈজ্ঞানিক ধাৰাব্ৰথ চাইচৰণে। শুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ধূপধৰাৰ সমীপৰ তথা মেঘালয়ৰ আদোকগিৰিৰ পি ৩ ইউনিটৰ মুগা এৰি ৰেচম বীজ সংস্থাৰ কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ বিজ্ঞানী-বি ড০ কাৰ্ণনাল জনছন। অনুষ্ঠানত উপস্থিত কৃষকসকলক মুগা পালন সন্দৰ্ভত বিশদভাৱে ব্যাখ্যা আগবঢ়ায়। শুভাৰম্ভণি কাৰ্যসূচীত কলিয়াবড়ী ৰেচম বীজ উৎপাদন কেন্দ্ৰৰ জ্যেষ্ঠ কাৰিকৰী সহায়ক মালেক আলী, দীপেন কুমাৰ বৰা আদি উপস্থিত থাকে।

# আদৰ্শ বিদ্যাপীঠ, গেলেকীত আশীৰ্বাদ প্ৰদান অনুষ্ঠান

**ই সংবাদ, গেলেকী, ১৯ ডিচেম্বৰঃ** শিৱসাগৰ জিলাৰ শিক্ষাৰ এক অন্যতম আগৰণুৱা শিক্ষানুষ্ঠান আদৰ্শ বিদ্যাপীঠ গেলেকীত এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত হৈ যায়। ২০২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হব লগীয়া ছাত্ৰ-ছাত্ৰীসকলক আশীৰ্বাদ প্ৰদানৰ উদ্দেশ্যে আশীৰ্বাদ প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয় বিদ্যালয়ৰ প্ৰাংগণত। অনুষ্ঠানটিত বিদ্যালয়খনৰ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক উপস্থিত থাকে। উক্ত অনুষ্ঠানটিত এখন সভাৰ আয়োজন কৰা হয় য'ত সভাপতিত্ব কৰে বিদ্যালয়খনৰ পৰিচালনা সভাৰ সভানেত্ৰী তথা গদাপাণি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী গুণ গগৈয়ে। অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে গেলেকী অঞ্চলৰ আধ্যাত্মিকতাৰ গুৰু, বৈষ্ণৱ প্ৰান ভক্ত চুচন গগৈ, বিৰেণ শইকীয়া, গেলেকী আঞ্চলিক নামঘৰৰ নামঘৰীয়া বৈষ্ণৱ প্ৰান ৰামেশ্বৰ গগৈ, আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ চম্পা বৰুৱা, শৈক্ষিক বিষয়া হৰেণ চেতিয়াৰ লগতে কেইবাজনো গণ্য-মান্য ব্যক্তি। সভাত উপস্থিত আটাইকেইগৰাকী আমন্ত্ৰিত অতিথিয়েই আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলক আশীৰ্বাদ প্ৰদান কৰাৰ লগতে অধ্যয়নৰ সম্পৰ্কে আলোচনা আগবঢ়ায়। অনুষ্ঠানটিত বিদ্যালয়খনৰ পৰা বিদায় লোৱা ছাত্ৰ-ছাত্ৰীসকল শোকত ভাগি পৰা দেখা যায়। বিদায়ী ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱাৰ লগতে আশীৰ্বাদ লয় অনুষ্ঠানটিতে। সভাত ছাত্ৰ-ছাত্ৰীসকলে অভিভাৱক সেৱা কৰি সু-নাগৰিক হোৱাৰ বাবে সংকল্প লয়।

## ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিশেষ উদ্যোগ

# মৰিগাঁও জিলাত ৰাজ্যিক পৰ্যায়ৰ বান মক ড্ৰিল সম্পন্ন

**ই-সংবাদ, লাহৰীঘাট, ১৯ ডিচেম্বৰঃ** মৰিগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ উদ্যোগত আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ তথা ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত আজি ৰাজ্যিক পৰ্যায়ৰ বান মক ড্ৰিলৰ আয়োজন কৰা হয়। মৰিগাঁও আৰক্ষী সংৰক্ষিত নিৰেশৰ পৰা শ্বহীদ তিলক, হেমৰাম, গুণভিৰাম অসামৰিক চিকিৎসালয়লৈ নিৰ্দিষ্ট পথত বান সম্পৰ্কীয় জৰুৰীকালীন অৱস্থাৰ বাবে জিলাখনৰ প্ৰস্তুতি বৃদ্ধিৰ লক্ষ্যৰে এই অনুশীলন অনুষ্ঠিত হয়। এই অনুষ্ঠানত জৰুৰীকালীন সঁহাৰি দলসমূহক পথ প্ৰদৰ্শন আৰু তদাৰক কৰে জিলা আয়ুক্ত দেৱাশীষ শৰ্মা আৰু লগতে অতিৰিক্ত জিলা আয়ুক্ত অনুসূয়া শৰ্মাই। এই অনুশীলনে আৰক্ষী প্ৰশাসন, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী (এছডিআৰএফ), স্বাস্থ্য বিভাগ, আৰু অন্যান্য বিভাগৰ মাজত নিৰৱচ্ছিন্ন সমন্বয় প্ৰদৰ্শন কৰে। মক ড্ৰিলটোৱে বাস্তৱ সময়ৰ বানপানীৰ পৰিস্থিতিৰ অনুকৰণ কৰিছিল, য'ত খালী কৰা, উদ্ধাৰ অভিযান, চিকিৎসা সঁহাৰি, আৰু আন্তঃবিভাগীয় সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। ইয়াত প্ৰাকৃতিক দুৰ্যোগৰ সময়ত দ্ৰুত কাৰ্য আৰু দক্ষ যোগাযোগৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰা হৈছিল। এই উপলক্ষে জিলা আয়ুক্তগৰাকীয়ে কয় যে আমাৰ দুৰ্যোগ ব্যৱস্থাপনা সামৰ্থ্যক শক্তিশালী কৰাৰ বাবে এই মক ড্ৰিল এক অপৰিহাৰ্য পদক্ষেপ। ইয়াৰ দ্বাৰা আমি আমাৰ প্ৰস্তুতি পৰীক্ষা কৰিব পাৰো আৰু প্ৰকৃত জৰুৰীকালীন অৱস্থাত বিপদ কম কৰিবলৈ বিভাগসমূহৰ মাজত সমন্বয় উন্নত কৰিব পাৰো বুলি মত প্ৰকাশ কৰে। অতিৰিক্ত জিলা আয়ুক্ত অনুসূয়া শৰ্মাই দুৰ্যোগৰ প্ৰতি প্ৰতিৰোধ ক্ষমতা গঢ়ি তোলাৰ বাবে সমাজৰ অংশগ্ৰহণ আৰু আন্তঃসংস্থা সমন্বয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুশীলনৰ সামৰণি পৰে জিলা আয়ুক্তৰ সভাকক্ষত হোৱা এক পৰ্যালোচনাৰ জৰিয়তে, য'ত অনুশীলনৰ সময়ত চিনাক্ত কৰা ব্যৱধান আৰু প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰা হয় আৰু উন্নতিৰ বাবে কাৰ্যকৰী ব্যৱস্থাৰ পৰামৰ্শ দিয়া হয়।

# আৰ এম অ' পৰীক্ষাত সফলতা শিৱসাগৰৰ ৩ শিক্ষাৰ্থীৰ

**ই-সংবাদ, শিৱসাগৰ, ১৯ ডিচেম্বৰঃ** শিৱসাগৰবাসীৰ বাবে ভাল খবৰ! শিৱসাগৰ চহৰস্থিত পটেনচিয়েল এণ্ড কনচেপ্ট একাডেমিৰ তিনিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে RMO(Regional Mathematical Olympiad ) পৰীক্ষাত উত্তীৰ্ণ হৈ INMO (INDIAN NATIONAL MATHEMATICAL OLYMPIAD) পৰীক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। শিক্ষানুষ্ঠানখনৰ দ্বাদশ শ্ৰেণীৰ ৰাজ আহমেদ, একাদশ শ্ৰেণীৰ লক্ষ্য কেজৰিৱাল আৰু নশ্ৰা বন্ধন দত্তই এই পৰীক্ষাত উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই আনিছে। লক্ষ্যণীয় যে অসমৰ পৰা সহস্ৰাধিক মেধাৱী ছাত্ৰ-ছাত্ৰী RMO পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও মাত্ৰ ৩৫ গৰাকী উত্তীৰ্ণ হৈ ইণ্ডিয়ান নেচনেল মেথেমেটিকেল অলিম্পিয়াড পৰীক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ ভিতৰত শিৱসাগৰৰ উক্ত তিনিওগৰাকী ছাত্ৰ-ছাত্ৰীয়েই Potential and Concept Academyৰ। গৌৰৱৰ বিষয় যে এই পৰীক্ষাত ৰাজ আহমেদে উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথম তথা শীৰ্ষ স্থান লাভ কৰিছে।আটাইকেইগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীয়েই ইণ্ডিয়ান মেথেমেটিকেল নেচনেল অলিম্পিয়াড (IMNO) পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ যোগ্যতা অৰ্জন কৰাত উৎফুল্লিত হৈ পৰিছে শিক্ষক-শিক্ষয়িত্ৰী সকলো। বৰ্তমান প্ৰতিযোগিতাৰ যুগত উচ্চ শিক্ষাৰ বাবে, বৃত্তি লাভৰ কোনো নামজ্বলা শৈক্ষিক প্ৰতিষ্ঠানত নামভৰ্তি কৰিবলৈ সুযোগ লাভৰ ক্ষেত্ৰত, কৰ্মসংস্থাপন লাভৰ ক্ষেত্ৰত উক্ত প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ যথেষ্ট গুৰুত্ব আছে বুলি সদৰি কৰিছে পটেনচিয়েল কনচেপ্ট একাডেমিৰ শিক্ষাগুৰুসকলে।

# তিনিচুকীয়া জিলা তাই সাহিত্য সভাৰ অধিৱেশন

**ই-সংবাদ, ডুমডুমা, ১৯ ডিচেম্বৰঃ** পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ তিনিচুকীয়া জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনখনি বুধবাৰে ডুমডুমাৰ ৰূপাই চাইডিঙস্থিত ডুমডুমা আঞ্চলিক টাই ভাষা সংস্কৃতি চৰ্চা আৰু সংৰক্ষণ কেন্দ্ৰত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে তিনিচুকীয়া জিলা সমিতিৰ সভাপতি লোকনাথ মোহনৰ পৌৰহিত্যত অনুষ্ঠিত অধিৱেশনৰ সাধাৰণ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক ৰাতুল গগৈয়ে। সভাৰ আৰম্ভণিতে সকলো সদস্যৰ দ্বাৰা আই ছিং লা পৰিৱেশনৰ পিছত কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি পৱন ৰাজকোঁৱৰ, বিশিষ্ট তাই পণ্ডিত লক্ষণ বৰুৱা, প্ৰদীপ ফুকন, সুজিত গগৈ, কৃশেশ্বৰ সন্দিকৈ, চন্দ্ৰকান্ত সন্দিকৈ, তিলেশ্বৰ গগৈ আদিয়ে সভাত বক্তব্য প্ৰদান কৰে। উক্ত সভাতেই হেমেন সন্দিকৈ আৰু অঞ্জলি সন্দিকৈৰ সোঁৱৰণত দুটি বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'য়। সভাতেই ২০২৫-২৭ বৰ্ষৰ সভাপতি আৰু সম্পাদকৰ পদবীৰ বাবে পুনৰ লোকনাথ মোহন আৰু ৰাতুল গগৈক সভাই নিৰ্বাচিত কৰে। সমিতিৰ নিষ্ঠাবান কৰ্মী তৰুণ সন্দিকৈ, মিন্টু বুঢ়াগোহাঁই আৰু অন্যান্য ডাম হোৱা ব্যক্তিসকলৰ স্মৃতিত মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ এটিকৈ শোক প্ৰস্তাৱ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সভাপতি প্ৰণৱ গগৈৰ আশু আৰোগ্য কামনা কৰি ফুৰা তাৰাৰ ওচৰত জন মিং বিচৰা হ'য়। তিলেশ্বৰ গগৈক সভাপতি, ৰাজু বৰুৱাক উপ-সভাপতি আৰু বিপুল গগৈক সম্পাদক হিচাপে লৈ ২১ জনীয়া ডুমডুমা আঞ্চলিক সমিতি গঠন কৰা হয়।

# বন্যহস্তীৰ আক্ৰমণ, আগিয়াত এজন নিহত



বন্যহস্তীৰ সন্ত্ৰাস! ফটোঃ ই-সংবাদ ধূপধৰা

**ই-সংবাদ, ধূপধৰা, ১৯ ডিচেম্বৰঃ** গোৱালপাৰা জিলাত ভয়াৱহ ৰূপত বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত। জিলাখনৰ আগিয়া আৰক্ষী থানাৰ আন্তৰ্গত চাপ্লেংকাটাত কালি সন্ধিয়া বন্যহস্তীৰ আক্ৰমণত এজন লোক নিহত হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, কালি দিনৰ ভাগত বন্যহস্তীৰ এটা বৃহৎ জাকৰ পৰা ফালৰি কাটি এটা জাকে অজগৰ পাহাৰত আৰু আনটো জাকে খেতি পথাৰত অৱস্থান গ্ৰহণ কৰি আছিল। ইফালে, সন্ধিয়া সময়ত পথাৰত অৱস্থান কৰি থকা হাতীৰ জাকটোৱে খাদ্যৰ সন্ধানত গাঁৱত প্ৰৱেশ কৰে। হাতীৰ জাকটো পথেৰে প্ৰৱেশ কৰাৰ সময়তে লোকজনে হাতীৰ জাকটোৰ মুখামুখি হয় আৰু হাতীৰ আক্ৰমণত লোকজন থিতাতে নিহত হয়। নিহত লোকজনক স্থানীয় ধনঞ্জয় বড়ো (৪০) বুলি চিনাক্ত কৰা হৈছে। এই ঘটনাৰ পিছতে সমগ্ৰ অঞ্চলটোত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়।

# বনকৰা মহিলা হত্যাকাণ্ডত জড়িত তিনি হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

**ই-সংবাদ, সোণাৰি, ১৯ ডিচেম্বৰঃ** বনকৰা চাহ শ্ৰমিক মহিলাক পৰিকল্পিত ভাবে হত্যা কৰা এক লোমহৰ্ষক হত্যাকাণ্ড ঘটনাৰ ৰায়দানত সোণাৰি পৌৰসভাৰ প্ৰাক্তন ৱাৰ্ড কমিছনাৰসহ মুঠ তিনি হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায়দান দিছে। চৰাইদেউ জিলা আৰু সত্ৰ ন্যায়াধীশ আবু বক্কৰ ছিদ্দিকীয়ে বিগত ২০০৮ চনত সংঘটিত হত্যাকাণ্ড ঘটনাটোৰ আজি ৰায়দান কৰি জোনাকী গোৱালাৰ হত্যাকাণ্ডত তিনি অভিযুক্ত ক্ৰমে সঞ্জীৱ পাল, মহমদ চাহাবুদ্দিন আহমেদ আৰু মহমদ ৰেকিবুদ্দিন আহমেদক ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২/৩৪ ধাৰাত দোষী সাব্যস্ত কৰি যাৱজীৱন কাৰাদণ্ডৰ লগতে ১০ হাজাৰ টকাৰ জৰিমনা আৰু ভাৰতীয় দণ্ডবিধি আইনৰ ২০১/৩৪ ধাৰাত অতিৰিক্ত ৩ বছৰ কাৰাদণ্ড বিহে। উল্লেখ্য যে, হত্যিকাণ্ডৰ প্ৰায় ১৭ বছৰৰ অন্তত চৰাইদেউ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে আজি ৰায়দান কৰা গোচৰটোত প্ৰায় ২১ জন সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰা হৈছিল। গোচৰটোত চৰকাৰী পক্ষৰ হৈ যুক্তি আগবঢ়াইছিল জ্যেষ্ঠ অধিবক্তা বসন্ত গগৈয়ে। উল্লেখ্য যে, সোণাৰি পৌৰ এলেকাৰ অন্তৰ্গত ভৱানীপুৰ নিবাসী প্ৰয়াত সনাতন গোৱালাৰ পত্নী জোনাকী গোৱালাই আনৰ ঘৰত ঘৰুৱা কামবন কৰিয়েই জীৱন নিৰ্বাহ কৰিছিল।সেইসূত্ৰেই জোনাকী গোৱালাই সোণাৰি পৌৰসভাৰ কংগ্ৰেছী ৱাৰ্ড কমিছনাৰ সঞ্জীৱ পালৰ ঘৰত কাম কৰিছিল। কিন্তু বিগত ২০০৮ চনৰ ২৩ আগষ্টৰ পৰা আকস্মিকভাৱে জোনাকী গোৱালা নিৰুদ্দেশ হয়। পাছত জোনাকীৰ একমাত্ৰ পুত্ৰ অনন্তই সোণাৰি আৰক্ষী থানাত ৪ চেপ্তেম্বৰত এজাহাৰ দাখিল কৰি নিৰুদ্দেশৰ ঘটনাত ৱাৰ্ড কমিছনাৰ সঞ্জীৱ পাল জৰিত থকাৰ কথা উল্লেখ কৰে। এজাহাৰত ৱাৰ্ড কমিছনাৰ সঞ্জীৱ পালৰ সতে জোনাকীৰ অবৈধ সম্পৰ্ক থকাৰ কথা উল্লেখ কৰাই নহয়, অবৈধ সম্পৰ্ক ৰাজহুৱা হোৱাত সমগ্ৰ ঘটনা গোপনে ৰাখিবলৈ সঞ্জীৱ পালে জোনাকীক প্ৰলোভন দিছিল আৰু পৰৱৰ্তী সময়ত জোনাকীক হত্যা কৰাৰ চেষ্টা কৰা বুলি এজাহাৰত উল্লেখ আছিল। প্ৰাসংগিক ভাবে উল্লেখ্য যে, জোনাকী গোৱালা নিৰুদ্দেশ হোৱা ঘটনাৰ পাছত প্ৰায় এটা সপ্তাহৰ পাছত জোনাকীৰ উৰঁলি যোৱা মৃতদেহ আইদেউপুখুৰী বাগিছাৰ এটা দ ন'লাত উদ্ধাৰ হৈছিল। পৰৱৰ্তী সময়ত সোণাৰি আৰক্ষীয়ে ঘটনাৰ অনুসন্ধান কৰি প্ৰথমে জোনাকীক লৈ যোৱা গাড়ীখনৰ সন্ধান লাভ কৰে আৰু উক্ত গাড়ী খনৰ চালক আৰু সহযোগী ক্ৰমে চাহাবুদ্দিন আহমেদ আৰু ৰেকিবুদ্দিন আহমেদক হত্যাকাণ্ডত জৰিত থকাটো নিশ্চিত হয়।পাছত সোণাৰি আৰক্ষীয়ে জোনাকী গোৱালাৰ হত্যাকাণ্ডত জৰিত ক্ৰমে সোণাৰি পৌৰসভাৰ তদানীন্তন ৱাৰ্ড কমিছনাৰ সঞ্জীৱ পাল, চাহাবুদ্দিন আহমেদ আৰু ৰেকিবুদ্দিন আহমেদক গ্ৰেপ্তাৰ কৰিছিল।

# উদমাৰিত কমৰেড বিনোদ মিশ্ৰৰ স্মৃতি দিৱস পালন

**ই-সংবাদ, বেবেজীয়া, ১৯ ডিচেম্বৰঃ** সমগ্ৰ দেশৰ লগতে নগাঁও জিলাৰ উদমাৰিত বুধবাৰে চি পি আই(এম এল) লিবাৰেচনৰ তৃতীয় সাধাৰণ সম্পাদক কমৰেড বিনোদ মিশ্ৰৰ ২৭ সংখ্যক স্মৃতি দিৱসটি 'সংকল্প দিৱস' হিচাপে উদযাপন কৰা হয়। চি পি আই(এম এল)ৰ লংজাপ পঞ্চায়তৰ জ্যেষ্ঠ নেতা লক্ষণ বানাই আৰু ইছব আলিৰ পৰিচালনাত অনুষ্ঠিত হোৱা এই দিৱস উপলক্ষে দলটোৰ কেন্দ্ৰীয় সমিতিৰ পৰা প্ৰেৰিত আহ্বান পত্ৰৰ ওপৰত আলোচনা আগবঢ়ায় দলৰ অন্যতম প্ৰবীণ নেতা অৰূপ কুমাৰ মহন্তই। তেওঁ কমৰেড বিনোদ মিশ্ৰই চি পি আই(এমএল) লিবাৰেচনক ৰাওঁ ৰাজনীতি তথা বিপ্লৱী কমিউনিষ্ট আন্দোলনক প্ৰতিষ্ঠা কৰাই নহয় বৰং ভাৰতৰ ৰাজনীতিত পাৰ্টিক এক দিক নিৰ্দেশক পাৰ্টি হিচাপেও প্ৰতিষ্ঠা কৰাবলৈ সক্ষম হৈছিল বুলি উল্লেখ কৰি কয় যে বাবৰি মছজিদ ধ্বংসৰ মাজেদি ভাৰতবৰ্ষৰ ৰাজনীতিত সাম্প্ৰদায়িক বিজেপিয়ে গতি কৰিছিল। তেতিয়া বিনোদ মিশ্ৰই প্ৰথম ভাৰতবৰ্ষৰ জনগণক ফেচিষ্ট শক্তিৰ উত্থানৰ বিপদ সম্পৰ্কে সকিয়াই দিছিল। ১৯৯৮ চনৰ ১৮ ডিচেম্বৰত কমৰেড বিনোদ মিশ্ৰই তেওঁৰ শেষ লিখনিত ফেচিষ্ট শক্তিক মোকাবিলা কৰিবলৈ বিপ্লৱী কমিউনিষ্ট আন্দোলনৰ ৰঙা পতাকাক উৰ্ধ্বত তুলি ধৰিব পৰা শক্তিশালী কমিউনিষ্ট পাৰ্টিক গ্ৰামীণ দৰিদ্ৰক সংগঠিত কৰা আৰু শক্তিশালী গণ আন্দোলন গঢ়ি তোলাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰাৰ ওপৰত জোৰ দিছিল। তেওঁৰ এই দিশাই আজিও পূৰ্বৰ যিকোনো সময়ৰ তুলনাত প্ৰাসংগিক আৰু সঠিক বুলি চিহ্নিত হৈছে। মোদী চৰকাৰ ক্ষমতালৈ অহাৰ দহ বছৰৰ ভিতৰত চৰকাৰৰ ফেচীবাদী এজেণ্ডাৰ মুখা খোল খাইছে আৰু ৰাইজৰ পৰা প্ৰতিৰোধৰো সন্মুখীন হৈছে বুলি মহন্তই দাবী কৰি কয় যে বিশেষকৈ যোৱা লোকসভা নিৰ্বাচনত মোদী চৰকাৰৰ বিৰুদ্ধে জনগণে বিৰাট বাধা দিবলৈ সক্ষম হৈছে। ঠিক সেইদৰে, মহাৰাষ্ট্ৰ আৰু হৰিয়ানা নিৰ্বাচনৰ যোগেদি এই ফেচিষ্ট চৰকাৰে ক্ষমতাত টিকি থাকিবলৈ যিকোনো পৰ্যায়লৈ যে যাব পাৰে তাকো দেশবাসীয়ে প্ৰত্যক্ষ কৰিছে। বিজেপি চৰকাৰে সাম্প্ৰদায়িক ঘৃণা, মেৰু বিভাজন, জাত-পাত আৰু লৈংগিক উৎপীড়ন তথা কৰ্প'ৰেটৰ পূৰ্ণ সমৰ্থনৰ পৰা শক্তি আহৰণ কৰিছে। সেয়েহে ফেচীবাদক মোকাবিলা কৰিবলৈ সাম্প্ৰদায়িকতা, জাত-পাত আৰু কৰ্প'ৰেটৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিৰোধক অধিক তীব্ৰতৰ কৰাটো সময়ৰ আহ্বান আৰু দায়িত্ব বুলি কৰ্মী তথা সমৰ্থক সকলক সাজু থাকিবলৈ নেতাগৰাকীয়ে আহ্বান জনায়। প্ৰসংগক্ৰমে তেওঁ কয় যে অহা ২৬ ডিচেম্বৰ ভাৰতৰ কমিউনিষ্ট পাৰ্টি প্ৰতিষ্ঠাৰ শতবৰ্ষ আৰু আগন্তুক নতুন বছৰটো আৰ এছ এছৰো শতবৰ্ষ। এই সময়ত ভাৰতৰ সংবিধানৰ ওপৰত হোৱা বৰ্ধিত আক্ৰমণৰ বিৰুদ্ধে ভাৰতৰ কমিউনিষ্ট আন্দোলনৰ গৌৰৱময় ইতিহাস আৰু ঐতিহ্যক স্মৰণ কৰাৰ লগে লগে আধুনিক ভাৰতক সমাজবাদী, ধৰ্ম নিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্যৰ সাংবিধানিক প্ৰতিশ্ৰুতি তথা বিকাশৰ লক্ষ্যত প্ৰকৃত সামাজিক ৰূপান্তৰ আৰু মানৱ মুক্তিৰ ফালে ধাৱমান হোৱাৰ লক্ষ্য ল'ব লাগিব। লগতে মহন্তই পুনৰ বিনোদ মিশ্ৰৰ শেষ লেখাত 'ইতিহাসত সকলো গুৰুত্বপূৰ্ণ প্ৰশ্নবোৰৰ সমাধান সদায় ৰাজপথতেই সমাধান হয়' বুলি লিখা কথাষাৰৰ তাৎপৰ্যও ব্যাখ্যা কৰে। ইফালে, জিলাখনৰ চমুৱাগাঁৱতো মাধৱ চন্দ্ৰ বৰা আৰু আয়েফা বেগমৰ পৰিচালনাত চি পি আই(এম এল) লিবাৰেচন দলৰ দলংঘাট সমিতিৰ উদ্যোগতো সংকল্প দিৱস উদযাপন কৰা হয়।

# মিৰ্জাত মুকলি দবাখেল প্ৰতিযোগিতাৰ সামৰণি

**ই-সংবাদ, মিৰ্জা, ১৯ ডিচেম্বৰঃ** মিৰ্জাত যোৱা ১৫ ডিচেম্বৰত অনুষ্ঠিত হোৱা মুকলি দবা খেল প্ৰতিযোগিতাৰ সফল সামৰণি পৰে। এন ই স্পৰ্টছ মিৰ্জা আৰু এমইই ফাউণ্ডেচনৰ উদ্যোগত আয়োজিত প্ৰথম এনইএছএ মুকলি দবা প্ৰতিযোগিতা মিৰ্জাৰ ডাৰউইন একাডেমীত অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতাখনত সৰ্বমুঠ ৬০ৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি দাস আৰু ডাৰউইন একাডেমীৰ অধ্যক্ষ তথা দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতা। খেলৰ তত্ত্বাৱধায়ক আৰু পৰিচালনাৰ দায়িত্বত থাকে ক্ৰমে মৃনাল কাকতি, সত্যব্ৰত সন্দিকৈ, মানস শৰ্মা, লোহিত দাস। উল্লিখিত মুকলি দবা প্ৰতিযোগিতাখনত ছয়টা শাখাত বঁটা প্ৰদান কৰা হয়। ৯ বছৰ বয়সৰ শাখাত ক্ৰমে প্ৰথম স্থানত প্ৰজ্ঞাপৰশা সন্দিকৈ, দ্বিতীয় স্থানত আদিশ শিৱম কাকতি আৰু তৃতীয় স্থান লাভ কৰে আকাশ প্ৰতিম ঠাকুৰীয়াই। ১১ বছৰ বয়সৰ শাখাত প্ৰথম স্থানত যুগ ৰমেশ দাস, দ্বিতীয় স্থানত বৈভৱ দাস আৰু তৃতীয় স্থানত থাকে দেৱৰ্ষি শৰ্মা। ১৩ বছৰ বয়সৰ শাখাত প্ৰথম স্থানত প্ৰতিধ্বনি সন্দিকৈ, দ্বিতীয় স্থানত যীঞ্চু শিৱন, তৃতীয় স্থান লাভ কৰে সন্দিপ নাথে। ১৫ বছৰ বয়সৰ শাখাত প্ৰথম স্থানত মৃন্ময় কাকতি, দ্বিতীয় স্থানত চিন্ময় মেধি, তৃতীয় স্থান ডিম্পী শইকীয়াই লাভ কৰে। ১৯ বছৰ বয়সৰ শাখাত প্ৰথম স্থানত ৰূপক শৰ্মা, দ্বিতীয় স্থানত হেপী কাশ্যপ, তৃতীয় স্থান লাভ কৰে অশ্বিন কৃষ্টো সজুয়ে। ১৯ বছৰ বয়সৰ উৰ্ধৰ শাখাত প্ৰথম স্থানত চাজাহান আলি, দ্বিতীয় স্থানত প্ৰদীপ ভূঞা আৰু তৃতীয় স্থানত বঁটা লাভ কৰে প্ৰণৱ জ্যোতি ৰাভাই।



মিৰ্জাৰ দবা প্ৰতিযোগিতাৰ এটি দৃশ্য



মহিলা টি-২০ শৃংখলাত ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে জয়ৰ অন্তত ট্ৰফীসহ ভাৰতীয় দলটোৰ খেলুৱৈসকলৰ একাংশ

# নগাবন্ধাত নৈশ বেডমিণ্টন, নেকিবুৰ-ৱাচিমক হৰুৱাই চেম্পিয়ন মুস্তাফিজুৰ-হাইদৰ



**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৯ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ নগাবন্ধাৰ এন আৰ এছ গ্ৰুপৰ উদ্যোগত মঙলবাৰে নৈশালোকত অনুষ্ঠিত দ্বৈত বেডমিণ্টন প্ৰতিযোগিতাত মুস্তাফিজুৰ ৰহমান আৰু হাইদৰ আলিৰ যুটীয়ে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। নগাবন্ধা চাৰিআলিৰ মুকলি স্থানত আয়োজিত এই প্ৰতিযোগিতাৰ ফাইনেলত মুস্তাফিজুৰ-হাইদৰৰ যুটীয়ে নেকিবুৰ ৰহমান ছিদ্দিকী আৰু ওৱাচিম খানৰ যুটীক ২-১ গেমত পৰাজিত কৰে। নগাঁও আৰু মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা মুঠ-১৮ টা দলে ভাগ লোৱা এই প্ৰতিযোগিতাৰ ছেমিফাইনেলত নেকিবুৰ-ওৱাচিমৰ যুটীয়ে ৰেকিব খান-ওৱাহিদুৰ ৰহমানৰ যুটীক ২-০ গেমত আৰু মুস্তাফিজুৰ-হাইদৰৰ যুটীয়ে মফিদুল ইছলাম খান-আজিজুৰ ৰহমান খানৰ যুটীক হৰুৱাই ফাইনেলত উপনীত হৈছিল। আনহাতে, মফিদুল-আজিজুৰৰ যুটীয়ে ৰেকিব-ওৱাহিদুৰৰ যুটীক হৰুৱাই তৃতীয়স্থান লাভ কৰিছে। প্ৰতিযোগিতাৰ অন্তত পুৱতি নিশাৰ সামৰণি অনুষ্ঠানত নগাবন্ধা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বিমান ৰেগনৰ লগতে অধিবক্তা আশীক ইকবাল, সমাজকৰ্মী মোবাৰক আলি আৰু অভিজিত ৰংহাঙে পুৰস্কাৰসমূহ বিতৰণ কৰে। উল্লেখ্য যে, আজহাৰউদ্দিন শ্ৰেষ্ঠ প্ৰতিভাৱান খেলুৱৈৰূপে পৰিগণিত হৈছে।

# গহপুৰৰ অসম-অৰুণাচলৰ সীমান্তৱৰ্তী অঞ্চলৰ পৰা ড্ৰাগছসহ দুই সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**ই-সংবাদ, গহপুৰ, ১৯ ডিচেম্বৰঃ** গহপুৰৰ অসম-অৰুণাচলৰ সীমান্তৱৰ্তী অঞ্চলৰ পৰা যোৱা বুধবাৰে সন্ধিয়াৰ ভাগত দুজনকৈ ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হৈছে বিশ্বনাথ আৰক্ষী। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, এক গোপন সূত্ৰৰ পম খেদি সন্ধিয়া প্ৰায় ৭-৪৫ বজাত বিশ্বনাথ জিলা আৰক্ষী অধীক্ষক সুভাশীষ বৰুৱা, উপ-অধীক্ষক বিশাল গগৈৰ নেতৃত্বত যোৱা এক অভিযানকাৰী দলে গহপুৰ আৰক্ষী থানৰ ৰাজগড় আৰক্ষী চকীৰ অন্তৰ্গত ১ নং আনন্দপুৰৰ পৰা সাতটা ড্ৰাগছ ভৰ্তি কণ্টেনাৰসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। জানিব পৰা মতে গ্ৰেপ্তাৰ কৰা সৰবৰাহকাৰী দুজন অৰুনাচল প্ৰদেশৰ পাপুমপাৰে জিলাৰ নাহৰলগুনৰ টিচি মোহনৰ পুত্ৰ টিচি তাহো (২৪) আৰু একেখন জিলাৰে বালিজান ডৰিয়াবিলৰ ইয়াব হাৰীৰ পুত্ৰ ইয়াব হিমৰী (২৪)। উল্লেখ্য যে, গৃহৰক্ষী জোৱান মানস মহন্তৰ বিশেষ পদক্ষেপত গ্ৰেপ্তাৰধীন দুই সৰবৰাহকাৰীৰ বিৰুদ্ধে গহপুৰ আৰক্ষী থানাত এক গোচৰ ৰুজু কৰি অনুসন্ধান অব্যাহত ৰাখিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি